DAILY ASSAM

# ২। ক্রিয়া পদ (Verb)

২ ঃ ১ মনৰ ভাব প্ৰকাশ কৰি যিবোৰ কথা কোৱা হয়, সেই কথাবোৰৰ পাৰস্পৰিক সংগতি বা সম্বন্ধ আছে। বাক্যটোৰ কাৰ্য কৰা, হোৱা বা ঘটা বুজোৱা পদটিয়ে বাক্যত প্ৰধান বা মুখ্য স্থান অধিকাৰ কৰে। যি পদে কোনো কাম কৰা, হোৱা বা ঘটা বুজায় তাকে **ক্ৰিয়া পদ** বোলে।

(১) শিক্ষকে আমাক অংক **শিকাইছে।**

(২) শিক্ষকে আমাক মৰম **কৰি** অংক **শিকায়।**

এই বাক্য দুটাৰ 'শিকাইছে', 'শিকায়' আৰু 'কৰি' ক্ৰিয়া পদ। প্ৰথম দুটাই শিকোৱা কাম কৰা বুজায়, কথাষাৰিও সম্পূৰ্ণ হোৱা বুজায়। কিন্তু শেহৰটোৱে অৰ্থাৎ 'কৰি' পদটিয়ে কথাষাৰ অসম্পূৰ্ণ হোৱা বুজায়, মৰম কৰি পাছলৈ কিবা কৰিব এনে ভাব জগাই তোলে।

ধাতুৰ লগত কৃৎ প্ৰত্যয় বা বিভক্তিযুক্ত হৈ কোনো কাম কৰা, হোৱা বা ঘটা বুজালে ক্ৰিয়া পদ কোৱা হয়। ওপৰৰ ২নং বাক্যত থকা 'কৰি' কৰ ধাতুৰপৰা উদ্ভৱ হৈছে।

কৰ্ (to do) এটি ধাতু, 'ই' প্ৰত্যয় যোগ কৰিলে কৰ্ + ই = কৰি অৰ্থাৎ মৰম কৰা কাৰ্য কৰি আন কিবা অৰ্থাৎ শিকোৱা কাৰ্য সমাধান কৰিব এনে ভাব বুজায়। গতিকে 'কৰি' অসম্পূৰ্ণ ভাব বুজোৱা ক্ৰিয়া।

১নং বাক্যত (শিকাইছে) পদটোৰ 'শিক্' ধাতু, ইয়াত 'ইছে' বিভক্তি যোগ কৰাত 'শিকাইছে' পদ সৃষ্টি হৈছে।

'শিকাইছে' পদটিয়ে শিকোৱা কাৰ্য কৰা বুজাইছে আৰু বাক্যটো সম্পূৰ্ণ হোৱা বুজাইছে। গতিকে (শিকাইছে) সম্পূৰ্ণ অৰ্থ প্ৰকাশক ক্ৰিয়া।

এইদৰে বাক্যটো সম্পূৰ্ণ শেষ হোৱা নোহোৱা অৰ্থ লৈ ক্ৰিয়া পদক দুটা ভাগত ভগাব পাৰি।

(ক) সমাপিকা ক্ৰিয়া (Finite verb)

(খ) অসমাপিকা ক্ৰিয়া (Infinite verb)

২ ঃ ২ (ক) **সমাপিকা ক্ৰিয়া ঃ** যিবোৰ ক্ৰিয়াই বাক্য সম্পূৰ্ণ হোৱা বা অৰ্থ সম্পূৰ্ণ হোৱা বুজায় সেইবোৰ ক্ৰিয়াকেই সমাপিকা ক্ৰিয়া বোলে।

যথা– মই ব্যাকৰণ পঢ়িলোঁ।

ইয়াত 'পঢ়িলোঁ' ক্ৰিয়াই পঢ়া কামৰ কথা বুজাইছে আৰু বাক্যটোৰ অৰ্থ সম্পূৰ্ণ কৰিছে। বাক্যটো সম্পূৰ্ণ কৰি পূৰ্ণ ভাৱ বুজোৱা বাবে পঢ়িলোঁ সমাপিকা ক্ৰিয়া।

সমাপিকা ক্ৰিয়াবোৰত পুৰুষ, কাল, বাচ্য অনুযায়ী সদায় ক্ৰিয়া বিভক্তি যোগ হয়। ধাতুৰ ক্ৰিয়া বিভক্তি যোগ নোহোৱাকৈ সাধাৰণতে সমাপিকা ক্ৰিয়া নহয়। ধাতুৰ পিছত ক্ৰিয়া বিভক্তি যোগ হৈ সমাপিকা ক্ৰিয়া সাধিত হয় বাবে 'সাধ্য ক্ৰিয়া'ও বোলে।

**২ ঃ ৩ (খ) অসমাপিকা ক্ৰিয়া ঃ** যি ক্ৰিয়াই বাক্য সম্পূৰ্ণ হোৱা নুবুজায় তাকে অসমাপিকা ক্ৰিয়া বোলে। অসমাপিকা মানে অসম্পূৰ্ণ। যথা— ৰীণাই খবৰটো শুনি বৰকৈ হাঁহিলে। 'হাঁহিলে' ক্ৰিয়াই বাক্যটো শেষ হোৱা বুজাইছে, সেইবাবে ই সমাপিকা। কিন্তু 'শুনি' এই পদটিয়ে বাক্যটো শেষ কৰিব পৰা নাই, 'শুনি' ক্ৰিয়াৰ পিছত 'হাঁহিলে' ক্ৰিয়াটো যোগ কৰিহে বাক্যটো সম্পূৰ্ণ কৰা হৈছে। যিহেতু 'শুনি' ক্ৰিয়াই শুনা কাৰ্য বুজালেও বাক্যটো সম্পূৰ্ণ হোৱা বুজোৱা নাই, সেইবাবে 'শুনি' অসমাপিকা ক্ৰিয়া।

অসমাপিকা ক্ৰিয়া বুজাবলৈ ধাতুৰ পিছত সদায় 'ই' প্ৰত্যয় যোগ কৰা হয়। ধাতুৰ পিছত 'ই' কৃৎ প্ৰত্যয় যোগ হৈ অসমাপিকা ক্ৰিয়া সিদ্ধি হয় বাবে 'সিদ্ধা ক্ৰিয়া'ও বোলে।

পুৰণি অসমীয়াত অৰ্থাৎ প্ৰাচীন পদ পুথিত ইয়া বা ই দুয়োটা অসমাপিকা ক্ৰিয়াৰ চিন পোৱা যায়। কিন্তু আধুনিক অসমীয়াত অকল 'ই'হে ব্যৱহাৰ হয়। যথা,

| | |
|---|---|
| কৰ্ + ই = কৰি | খা + ই = খাই |
| পঢ় + ই = পঢ়ি | যা + ই = গৈ |
| হাঁহ্ + ই = হাঁহি | পা + ই = পাই |
| লিখ্ + ই = লিখি, | ঘূৰ্ + ই = ঘূৰি, ইত্যাদি। |

## অসমাপিকা ক্ৰিয়াৰ ব্যৱহাৰ

**২ ঃ ৪ (১)** বাক্যত থকা সমাপিকা ক্ৰিয়াৰ লগত অসমাপিকা ক্ৰিয়াৰ সংগতি আছে। একেটি সমাপিকা ক্ৰিয়াৰ এক বা একাধিক অসমাপিকা ক্ৰিয়া ব্যৱহাৰ হ'ব পাৰে। যথা,

তাই **চিঞৰি চিঞৰি** কিতাপ পঢ়ি ঘৰখনত খলক্ লগাইছে।

ৰচকী বায়ে **হাঁহি, মাতি, নাচি, বাগি,** নিজক **পাহৰি** থাকে।

(২) বাক্য চুটি আৰু শুৱলা কৰিবলৈ বেলেগ বেলেগ বাক্যৰ সমাপিকা ক্ৰিয়া অসমাপিকা কৰি ব্যৱহাৰ কৰা হয়। সাধাৰণতে একে কৰ্তা থাকিলেহে তেনেকৈ সমাপিকাৰ ঠাইত অসমাপিকা ক্ৰিয়া ব্যৱহাৰ কৰা হয়। যথা,

সি ভাত খালে। সি কিতাপ ল'লে। সি স্কুললৈ গ'ল। এই বাক্য তিনিটি একেটি কৰি শুনিবলৈ শুৱলা কৰিব পাৰি। যথা,

সি ভাত খাই স্কুললৈ গ'ল।

(৩) অসমাপিকা ক্ৰিয়া সকলো কালতে ব্যৱহাৰ হ'ব পাৰে। সেই বাবে ই কাল নিৰপেক্ষ। বৰ্তমান, ভৱিষ্যৎ বা অতীত কালত কাম চলি থকা বা শেষ হোৱা

অসমাপিকা ক্ৰিয়াই বুজাব পাৰে। যথা,

বৰ্তমান – মই কিতাপ পঢ়ি স্কুললৈ যাওঁ।

অতীত – মই কিতাপ পঢ়ি স্কুললৈ গৈছিলোঁ।

ভৱিষ্যৎ – মই কিতাপ পঢ়ি স্কুললৈ যাম।

(৪) অসমাপিকা ক্ৰিয়াৰ সকলো পুৰুষত একে ৰূপ হয়। বচন, পুৰুষ, লিংগ ভেদে অসমাপিকা ক্ৰিয়াৰ বিভিন্নতা নাথাকে। গতিকে অসমাপিকা ক্ৰিয়া পুৰুষ, লিংগ আৰু বচন নিৰপেক্ষ। যেনে, মই কিতাপ পঢ়ি ভাত খাওঁ। আমি কিতাপ পঢ়ি ফুৰিবলৈ যাম। তুমি কিতাপ পঢ়ি ফুৰিবলৈ ওলাবা। তাই কিতাপ পঢ়ি গান গাইছে।

ইয়াত 'পঢ়ি' অসমাপিকা ক্ৰিয়া বিভিন্ন পুৰুষৰ বা লিংগৰ বা বচনৰ একে ৰূপতেই আছে।

(৫) সমাপিকা আৰু অসমাপিকা ক্ৰিয়াৰ কৰ্তা একেটা হ'লে যিটো ক্ৰিয়াৰ অৰ্থ প্ৰধান হয়, সেইটো ক্ৰিয়াৰ মতেই সাধাৰণতে কৰ্তা হয়। অসমাপিকা ক্ৰিয়া অকৰ্মক হ'লেও সকৰ্মক সমাপিকা ক্ৰিয়াৰ সংগতি ৰাখি কৰ্তাত এ যোগ হয়। যথা, 'শ্যামে শুই উঠি চাহ জলপান খালে।' শো অকৰ্মক ধাতুৰ অসমাপিকা ক্ৰিয়াৰ ৰূপ 'শুই' সহায়কাৰী 'উঠ'। ধাতুৰ লগত 'শুই উঠি' অসমাপিকা।

কিন্তু খালে– খা ধাতু সকৰ্মক। সেইবাবে অকৰ্মক 'শুই উঠি' অসমাপিকা ক্ৰিয়াৰ কৰ্তাত এ যোগ নহ'লেও খালে সকৰ্মক সমাপিকা ক্ৰিয়াৰ যোগত 'শ্যামে' কৰ্তাত এ যোগ হৈছে।

(৬) কেতিয়াবা খণ্ডবাক্য কিছুমানত সমাপিকা ক্ৰিয়া ব্যৱহাৰ কৰিলেও বাক্যটো সম্পূৰ্ণ নোহোৱা বুজায়। যথা,

মধুৰে (মধুই) বৃত্তি পাব নে নাপাব নাজানে।

সি খাওঁ খাওঁ বুলি এতিয়ালৈ খোৱা নাই। ইত্যাদি।

**২ ঃ ৫** বাক্যত ব্যৱহাৰ হোৱা পদবোৰৰ লগত ক্ৰিয়াৰ প্ৰত্যক্ষ বা পৰোক্ষ সম্পৰ্ক থাকে। যিবোৰৰ লগত ক্ৰিয়াৰ প্ৰত্যক্ষ বা পোনপটীয়া সম্বন্ধ নাই সেইবোৰ বাক্যৰ সম্প্ৰসাৰকহে। 'স্কুলীয়া ছোৱালী ৰীতাই সদায় 'ব্যাকৰণ পঢ়ে।' ইয়াত 'পঢ়ে' সমাপিকা ক্ৰিয়াৰ লগত প্ৰত্যক্ষভাৱে 'ৰীতাই' 'ব্যাকৰণ' 'সদায়' শব্দৰ সম্পৰ্ক আছে। 'ৰীতা'ৰ লগত 'স্কুলীয়া ছোৱালী' শব্দ দুটিৰ সম্পৰ্ক। গতিকে 'স্কুলীয়া ছোৱালী, ৰীতাৰ বিশেষণবাচক সম্প্ৰসাৰক।

এই বাক্যত 'ৰীতাই পঢ়ে' ক্ৰিয়াৰ কৰ্তা 'ব্যাকৰণ' ইয়াৰ কৰ্ম। গতিকে 'পঢ়ে' ক্ৰিয়াৰ কাৰ্য 'ব্যাকৰণৰ' ওপৰত সম্পন্ন হৈছে। কৰ্ম থকা-নথকা লৈ ক্ৰিয়াক দুটা ভাগত ভাগ কৰিব পাৰি। যথা,

(ক) অকৰ্মক ক্ৰিয়া (Intransitive verb)

(খ) সকৰ্মক ক্ৰিয়া (Transitive verb)

**২ ঃ ৬ (ক) অকৰ্মক ক্ৰিয়া ঃ** যি ক্ৰিয়াৰ কৰ্ম নাথাকে তাকেই অকৰ্মক ক্ৰিয়া বোলে। সাধাৰণতে কিছুমান ধাতুৰপৰা উদ্ভৱ হোৱা ক্ৰিয়াৰ কৰ্ম নাথাকে, সেইবোৰ

ধাতুকেই অকৰ্মক ধাতু কোৱা হয়। চৰ্, মৰ্, গুচ্, ভিজ্, বুৰ্, বোলে, শুখা, উঠ্, বহ্ আদি ধাতুৱেই অকৰ্মক ধাতু। ইহঁত অকৰ্মক ক্ৰিয়া হ'লে কৰ্তাত এ বিভক্তি যোগ নহয়। যথা, গৰু চৰে। মানুহ মৰে। সিহঁত গুচে। কাপোৰ ভিজে। ৰাম উঠিল। শ্যাম বহিল। ইত্যাদি।

সাধাৰণতে নিম্ন অৰ্থত অকৰ্মক ক্ৰিয়া হয় ঃ
হঁহা, কন্দা, নচা, আৰু ভ্ৰমণ, গমন,
উৎপত্তি, ৰোদন, স্থিতি, শয়ন, পতন,
লজ্জা, ক্ষয়, খেলা, ভয়, জীৱন, মৰণ,
এনে অৰ্থে অকৰ্মক হয় ধাতুগণ।

২ ঃ ৭ (খ) **সকৰ্মক ক্ৰিয়া ঃ** যিবোৰ ক্ৰিয়াৰ কৰ্ম থাকে তাকেই সকৰ্মক ক্ৰিয়া বোলে। যেনে– 'ৰংপিয়ে তাক **মাৰিলে**।' 'কাকতিয়ে কাঠচটা **গুচালে**।' 'সি গৰু **চৰাইছে**।' 'তাই চিঠি **লিখিছে**।'

মাৰ্, চৰা, ভিজ্, বুৰ্, লিখ্, পঢ়্, কৰ্ আদি ধাতুৰ কৰ্ম থাকে বাবেই এইবোৰ সকৰ্মক ধাতু।

২ ঃ ৮ কোনো কোনো সকৰ্মক ক্ৰিয়াৰ দুটা কৰ্ম থাকে তাকেই দ্বিকৰ্মক ক্ৰিয়া বোলে। যেনে– টেৰণে মধুক এই কথা কৈছিল। ইয়াত কৈছিল ক্ৰিয়াৰ দুটা কৰ্ম, (১) 'মধুক' (কাক কৈছিল?) আৰু (২) 'এই কথা' (কি কৈছিল?)। যিটো কৰ্মৰ লগত ক্ৰিয়াৰ সম্বন্ধ পোনপটীয়া বা প্ৰত্যক্ষ, সেই কৰ্মটোৱেই প্ৰধান বা মুখ্য কৰ্ম। তেনে কৰ্মটোৰ লগত অন্য বিভক্তি যোগ কৰি ভাবখিনি প্ৰকাশ কৰিব নোৱাৰি। ইয়াত 'কৈছিল' ক্ৰিয়াৰ 'এই কথা' কৰ্মৰ লগতহে প্ৰত্যক্ষ সম্বন্ধ আছে। গতিকে ই **মুখ্য** বা **প্ৰধান** বা **প্ৰত্যক্ষ কৰ্ম**।

যিটো কৰ্মৰ লগত ক্ৰিয়াৰ সম্বন্ধ পোনপটীয়া নহয়, পৰোক্ষহে আৰু অন্য উপায়ে বা আন বিভক্তি যোগ কৰিও প্ৰকাশ কৰিব পাৰি তাকেই **গৌণ**, **অপ্ৰধান** বা **পৰোক্ষ কৰ্ম** বোলে। 'কৈছিল' ক্ৰিয়াৰ কৰ্ম 'মধুক' **গৌণ** বা **অপ্ৰধান** বা **পৰোক্ষ কৰ্ম**।

২ ঃ ৯ সকৰ্মক ক্ৰিয়াটোক কাক বা কি বুলি প্ৰশ্ন কৰিলেই উত্তৰ হিচাপে কৰ্মটো ওলাই পৰে। যিবোৰ ক্ৰিয়াত কোনো প্ৰশ্নৰ উত্তৰ নোলায়, সেইবোৰ অকৰ্মক ক্ৰিয়া। যেনে, মই ভাত খাওঁ। ইয়াত কি খাওঁ? বুলি প্ৰশ্ন কৰিলে 'ভাত' ওলাই পৰে। গতিকে 'খাওঁ' সকৰ্মক ক্ৰিয়া।

২ ঃ ১০ অকৰ্মক ক্ৰিয়াক আমি দুই প্ৰকাৰে সকৰ্মক ক্ৰিয়া কৰিব পাৰোঁ।

(ক) ক্ৰিয়াৰ অনুৰূপ কৰ্ম সংযোগ কৰি, অৰ্থাৎ ধাতুৰ সমগোত্ৰীয় কৰ্ম (Cognate object) ব্যৱহাৰ কৰি। যেনে– মই ভৰণি ভৰিলোঁ। 'মই ভৰিলোঁ' অকৰ্মক, কিন্তু 'ভৰণি' সংযোগ কৰাৰ লগে লগে 'ভৰণি' কৰ্ম হয় আৰু 'ভৰিলোঁ' ক্ৰিয়াটো তেতিয়া সকৰ্মক হৈ পৰে। তেনেকৈ, 'তাই নাচিছে', 'তাই বিহুনাচ নাচিছে'। 'তাই গাইছে', 'তাই গীত গাইছে' ইত্যাদি।

DAILY ASSAM



(খ) পাঁচনী ক্ৰিয়াৰ ব্যৱহাৰতো অকৰ্মক ক্ৰিয়া সকৰ্মক হয়। যেনে, সি সোমাল। কিন্তু সি যদুক সুমালে। ইয়াত 'যদুক' কম থকা বাবে 'সুমালে' সকৰ্মক ক্ৰিয়া।

| অকৰ্মক ধাতু | সকৰ্মক ধাতু |
|---|---|
| গল্ (to liquefy) | গুল্ (to dissolve) |
| শুকা বা শুখা (to dry) | শোহ্ (to absorb, to saok) |
| নিগৰ্ (to drip) | নিগৰা (to cause to drip) |
| বুৰ্ (to sink) | বুৰা (to immerse) |
| জ্বল্ (to burn) | জ্বলা বা জ্বাল্ (to kindle) |
| গুচ্ (be off) | গুচা (to remove) |
| মৰ্ (to die) | মাৰ্ (to kill) |
| চৰ্ (to graze) | চাৰ্ (to tend) |
| হাঁহ্ (to laugh) | হুঁহুৰা (to make laugh) |
| কান্দ্ (to cry) | কন্দুৱা (to make cry) |
| সিজ্ (to be done) | সিজা (to boil, to look) |
| ফুট্ (to split open) | ফুটা (to pierce) |

২ ঃ ১১ কৰ্তাৰ পুৰুষ আৰু বচন অনুযায়ী ক্ৰিয়া সমাধা হয়। গতিকে কৰ্তা যি পুৰুষৰ আৰু বচনৰ হয় ক্ৰিয়াটোও সেই পুৰুষ আৰু বচনৰ। বচন দুটা হ'লেও এক বচন আৰু বহু বচনত ক্ৰিয়াৰ ৰূপ সদায় একে থাকে।

মই ভাত খাওঁ। আমি ভাত খাওঁ (এক ৰূপ)। তুমি চিঠি লিখাঁ। তোমালোকে চিঠি লিখাঁ। সি হাঁহে। সিহঁতে হাঁহে। ইত্যাদি

## ক্ৰিয়াৰ ভাব-ৰূপ (Moods)

২ ঃ ১২ ক্ৰিয়াৰ প্ৰকাশৰ ভাব-ৰূপ চাৰিবিধ ঃ

(ক) নিৰ্দেশক (Indicative), (খ) সম্ভাব্য (Conditional), (গ) অনুজ্ঞা (Imperative) আৰু (ঘ) তুমৰ্থক বা নিমিত্তাৰ্থক (Infinitive)

২ ঃ ১৩ সংস্কৃত ভাষাত ক্ৰিয়াৰ কাল আৰু ভাব-ৰূপ (Moods) বুজাবলৈ দহোটা বিভক্তি—বিভাগ (যেনে, লট্, লোট, লঙ্, বিধিলিঙ্ আদি) ব্যৱহাৰ হৈছিল। কিন্তু কালক্ৰমত পালি, প্ৰাকৃত, অপভ্ৰংশ স্তৰত কেইটিমান লোপ পালে বা কেইটিমানৰ ৰূপ একে হ'ল। সেইদৰে বৰ্তমান নৱ-ভাৰতীয় আৰ্য ভাষাৰ অসমীয়াত চাৰিটাহে ভাব-ৰূপ থাকিলগৈ।

২ ঃ ১৪ (ক) ক্ৰিয়াৰ নিৰ্দেশক ভাব-ৰূপ (Indicative mood) ঃ সাধাৰণভাৱে ক্ৰিয়াৰ ভাব প্ৰকাশ কৰা ক্ৰিয়াৰ ৰূপক নিৰ্দেশক ৰূপ বোলে। যেনে-

হেম বৰুৱা– "সত্তা সজ্জা স্থিতি জাগৰণ, বৃদ্ধি ক্ষয় ভয় জীৱন মৰণং শয়নং ক্ৰীড়া ৰুচি দীপ্ত্যৰ্থাঃ নৈতে ধাতৱঃ কৰ্মব্যক্তা।"

খাওঁ, খাইছিলোঁ, খাম ইত্যাদি এইবোৰ ক্রিয়াই কেৱল ক্রিয়াৰ কাৰ্যৰ কথাহে উল্লেখ কৰে ; বৰ্তমান, অতীত বা ভৱিষ্যৎ কালত ইয়াৰ ব্যৱহাৰ আছে।

**২ ঃ ১৫ (খ) সম্ভাব্য ভাব-ৰূপ** (Conditional or Subjuntive mood) ঃ সম্ভাব্য অৰ্থ বুজাবলৈ ক্রিয়াৰ যি ৰূপ হয় তাকেই ভাব-ৰূপ বোলে।

(১) অতীত কালৰ অৰ্থত— বৰষুণ দিয়া হ'লে মই গ'লোঁহেঁতেন

(২) বৰ্তমান অৰ্থত-- যদি মই পাৰোঁ, এবাৰ চেষ্টা কৰি চাওঁ বাৰু। যদি মই জানো, নিশিকাওঁ কিয়?

(৩) ভৱিষ্যৎ অৰ্থত-- যদি শিকি উঠোঁ, শিকাম নিশ্চয়। যদি মই পাৰোঁ এবাৰ যাম।

**২ ঃ ১৬। সম্ভাব্য** ভাব-**ৰূপ** (Conditional mood) সাধাৰণতে তলত উল্লেখ কৰা ধৰণে ৰূপ লয়।

(১) 'যদি' যোগত-- যেনে, যদি তুমি লিখিলাহেঁতেন ছপাই দিব পাৰিলোঁহেঁতেন।

(২) 'যদি' ব্যৱহাৰ নকৰি-- যেনে, তুমি কোৱাহেঁতেন, মই গ'লোঁহেঁতেন।

(৩) 'হ'লে' আৰু 'হেঁতেন' বা 'হয়' যোগত-- সি কোৱা হ'লে মই গ'লোঁহেঁতেন।

(৪) 'হেঁতেন' বাৰে বাৰে ব্যৱহাৰ নকৰি— যেনে, তুমি আহিলে মই গ'লোঁহেঁতেন। সি ক'লেই মই গ'লোঁহেঁতেন। প্ৰাণক তেজিলোঁই হয় তোমাৰ সন্তাপে (মাধৱ কন্দলী)

(৫) অনিশ্চিত অৰ্থত 'হ'ব পায়' 'হ'বলা' প্রয়োগ কৰি সম্ভাব্য বুজোৱা হয়। যেনে, সি কৰিছিল বা কৰিছে বা কৰিব হ'বলা (বা হ'ব পায়)। সি চিঠি লিখিছে হ'বলা।

**২ ঃ ১৭ (গ) অনুজ্ঞা ভাব-ৰূপ** (Imperative mood) ঃ আদেশ, নিষেধ, প্ৰাৰ্থনা, অনুৰোধ, নিমন্ত্ৰণ, আশীৰ্বাদ আদি অৰ্থ প্রকাশ কৰা ক্রিয়াৰ ৰূপক অনুজ্ঞা ভাব-ৰূপ বোলে। যেনে,

প্ৰাৰ্থনা — হে ঈশ্বৰ। মোক দয়া কৰা।

আদেশ — সোনকালে লিখাঁ। ঘৰলৈ যোৱাঁ।

আশীৰ্বাদ -- ভাল হ'ক, কুশল হ'ক।

অনুজ্ঞা ভাব-ৰূপ কেৱল বৰ্তমান আৰু ভৱিষ্যৎ কালতহে হয়।

**২ ঃ ১৮ প্রথম** পুৰুষৰ অনুজ্ঞাৰ ভাব বুজাবলৈ ঃ যেনে, ব'লা, আহা, হ'ক আদি ব্যৱহাৰ কৰা হয়। যথা,

মই যেন নিৰাপদে ঘূৰি আহোঁ। আমি যেন বিপদত নপৰোঁ। আমি যাওঁ ব'লা। আমি চেষ্টা কৰোঁ আহা। আমি যত্ন কৰোঁহ'ক।

তৃতীয় পুৰুষত সাধাৰণতে অক বা ওক ব্যৱহাৰ হয়— যেনে, আপুনি চিঠিখন লিখক। অংকটো শিকাওক। সি কামটো কৰক। ৰাইজৰ মংগল হওক ইত্যাদি।

**২ ঃ ১৯ (ঘ) নিমিত্তাৰ্থক তুমৰ্থক বা ক্ৰিয়াৰ্থ-ক্ৰিয়া ভাল ৰূপ** (Infinitive mood) ঃ কোনো ক্ৰিয়া সম্পাদনৰ নিমিত্তে আন ক্ৰিয়া সম্পাদিত হ'লে সম্পাদনৰ নিমিত্তে থকা ক্ৰিয়াটোক নিমিত্তাৰ্থক বা তুমৰ্থক (Infinitive) * বোলে। যেনে, মই তেওঁৰ ওচৰত অংকটো শিকিবলৈ আহিছোঁ। ইয়াত 'আহিছোঁ' ক্ৰিয়া ব্যৱহাৰ হৈছে, শিকা কাৰ্য সম্পাদন কৰাৰ নিমিত্তে। কাৰণ শিকা কাৰ্য হোৱা নাই, ভৱিষ্যতে হ'বহে। গতিকে 'শিকিবলৈ' তুমৰ্থক বা নিমিত্তাৰ্থক ৰূপ।

**২ ঃ ২০ নিমিত্তাৰ্থক বা তুমৰ্থক দুবিধ ঃ** (ক) সাধাৰণ তুমৰ্থক ক্ৰিয়া বা ক্ৰিয়াৰ্থক ক্ৰিয়া (Simple Infinitive) আৰু (খ) তুমৰ্থক সংজ্ঞা বা ক্ৰিয়াৰ্থ সংজ্ঞা (Gerund)। সাধাৰণ ক্ৰিয়া সমাধা হোৱা বুজাবলৈ সাধাৰণ তুমৰ্থক ক্ৰিয়া আৰু সি সংজ্ঞা শব্দৰ দৰে হ'লে ক্ৰিয়াৰ্থ সংজ্ঞা বা নিমিত্তাৰ্থক সংজ্ঞা হয়।

(ক) সাধাৰণ নিমিত্তাৰ্থক বা তুমৰ্থক ক্ৰিয়া ৰূপ 'অব', 'ইব' আৰু 'লৈ' (লাগি) যোগ কৰি সম্পন্ন কৰা হয়। যথা, মোক আজি খাব (বা খাবলৈ) মাতিছে। তাই পঢ়িব খুজিছে। সি পঢ়িব নাজানে। তুমি খাব নোৱাৰাঁ।

(খ) নিমিত্তাৰ্থক সংজ্ঞা বা তুমৰ্থক সংজ্ঞা (Gerund) ঃ কোনো ক্ৰিয়া সম্পাদনৰ নিমিত্তে আন আন ক্ৰিয়া সম্পাদিত হ'লে সম্পাদনৰ নিমিত্তে থকা ক্ৰিয়াটো সংজ্ঞা শব্দৰ দৰে বাক্যত ব্যৱহাৰ হ'লে নিমিত্তাৰ্থক বা তুমৰ্থক সংজ্ঞা ৰূপ কোৱা হয়। যেনে— 'আপেল **খাবলৈ** বৰ সুস্বাদু'। বেদ **পঢ়িবলৈ** উজু নহয়।

## কাল (Tenses)

**২ ঃ ২১** যি সময়ত ক্ৰিয়া হয়, তাকে ক্ৰিয়াৰ কাল বোলে। প্ৰধান কাল তিনিটা ঃ (ক) বৰ্তমান কাল, (খ) অতীত কাল আৰু (গ) ভৱিষ্যত কাল।

(ক) **বৰ্তমান কাল ঃ** চলিত সময় বা স্বভাৱ, অভ্যাস আদিৰ নিত্যভাৱ উদ্ৰেক কৰা ক্ৰিয়াৰ কালকে বৰ্তমান কাল বোলে। ই দুবিধ (I) নিত্য বৰ্তমান আৰু (II) স্বৰূপ বৰ্তমান।

**২ ঃ ২২ নিত্য বৰ্তমান ঃ** নিয়ম, অভ্যাস বা চলিত বৰ্তমান আদি বুজাবলৈ নিত্য বৰ্তমান কাল ব্যৱহাৰ হয়। যেনে— (১) 'ইংৰাজসকলে মদ-মাংস খায়।' ইয়াত মদ-মাংস খোৱা অভ্যাসৰ ইংগিত দিছে।

**'সি ৰাতিপুৱা পঢ়ে।'** — ইয়াত ৰাতিপুৱা পঢ়া নিয়ম বা অভ্যাসৰ কথা উল্লেখ কৰা হৈছে।

---

* নিমিত্তাৰ্থত তুমন অৰ্থাৎ তুম্ প্ৰত্যয় ধাতুৰ পিছত যোগ হৈ অব্যয় হৈ পৰা শব্দৰ দৰে অসমীয়াত 'লৈহে' যোগ হয়। গতিকে অসমীয়াত তুম্ যোগ নোহোৱা বাবে 'তুমন্তক' শব্দ ব্যৱহাৰ নকৰি নিমিত্তাৰ্থক ভাবত নিমিত্তাৰ্থক বা তুমৰ্থক (Infinitive) শব্দহে ব্যৱহাৰ কৰা উচিত বুলি বিবেচিত হৈছে।

তেনেকৈ — মই গধূলি প্ৰাৰ্থনা জনাওঁ। সি পুৱা-গধূলি লিখা-পঢ়া কৰে। ইত্যাদি।

আকৌ চিৰন্তন বিশ্বজনীন ভাবত নিত্য বৰ্তমান হয়। চৰায়ে গান গায়। বসন্তত কুলিয়ে মাতে। বৰ্ষা কালত আকাশত মেঘে গৰজে। জীৱ মাত্ৰেই মৰে। ইত্যাদি।

কোনো অতীত ঘটনা বা ঐতিহাসিক ঘটনা বুজোৱা অতীত ক্ৰিয়াটোৰ সলনি নিত্য বৰ্তমান ব্যৱহাৰ হয়। যেনে, বৰদোৱাত শ্ৰীমন্ত শংকৰদেৱে প্ৰথম শিক্ষা গ্ৰহণ কৰে। ৰুদ্ৰসিংহই ভাৰত বিজয়ৰ বাবে আয়োজন কৰে, কিন্তু অকালতে অভাৱনীয়ভাৱে প্ৰাণ ত্যাগ কৰে।

২ ঃ ২৩ বৰ্তমান কালৰ ক্ৰিয়া তিনিটা ৰূপত বা উপায়ে (Moods) প্ৰকাশ কৰিব পাৰি। যেনে, (ক) নিৰ্দেশক, (খ) সম্ভাব্য আৰু (গ) অনুজ্ঞা। নিৰ্দেশক আৰু সম্ভাব্যৰ একে ৰূপ। একবচন আৰু বহুবচনতো ৰূপ একে হয়।

## ২ ঃ ২৪ বৰ্তমান কাল (Present Tense)

| কালৰ ৰূপ | প্ৰথম পুৰুষ | ২য় পুৰুষ (তুচ্ছাৰ্থ) | ২য় পুৰুষ (মান্যাৰ্থ) | তৃতীয় পুৰুষ |
|---|---|---|---|---|
| | মই-আমি | তই-তহঁত | তুমি, তোমালোক | সি, তাই, সিহঁত |
| (ক) নিত্য বৰ্তমান<br>(i) নিৰ্দেশক<br>(ii) সম্ভাব্য | ওঁ | অ | আ | এ |
| (iii) অনুজ্ঞা | নাই | (উহ্য) | আঁ | অক, ওক |

প্ৰথম আৰু দ্বিতীয় পুৰুষৰ বহুবচনৰ ক্ৰিয়াত পুৰণি কালৰপৰাই বহুবচন বুজোৱা চিন 'হঁক' ব্যৱহাৰ হৈ আহিছে। প্ৰাচীন যুগৰ সাহিত্য বা মধ্যযুগৰ বুৰঞ্জী সাহিত্যতো আধুনিক যুগৰ দৰেই ক্ৰিয়াৰ পিছত বহুবচনাত্মক চিন 'হক' 'হঁক' ব্যৱহাৰ হৈ আহিছে। যেনে— আমি যাওঁহঁক, যামহঁক, গলোঁহঁক, কৰিমহঁক, তোমালোক যোৱাহঁক, কৰিলাহঁক, কৰিবাহঁক ইত্যাদি।

স্বৰান্ত ধাতুৰ পিছত 'এ' যোগ হ'লে সাধাৰণতে 'এ'ৰ ঠাইত 'য়' হয়। যথা, খা + এ = খায়, যা + এ = যায়, ল + এ = লয়, ৰ + এ = ৰয় ইত্যাদি।

### ২ ঃ ২৫ নিত্যবৰ্তমান, নিৰ্দেশক আৰু সম্ভাব্য ঃ

অসমীয়াত সাধাৰণ অৰ্থত নিৰ্দেশক (Indicative) ৰূপে ব্যৱহাৰ হোৱা বিভক্তি চিনবোৰেই সম্ভাব্য ৰূপত ব্যৱহাৰ হয়। যথা,

DAILY ASSAM



| নিৰ্দেশক ৰূপ | সম্ভাব্য ৰূপ |
|---|---|
| মই কৰোঁ | যদি মই কৰোঁ |
| তই কৰ | যদি তই কৰ |
| তুমি কৰা | যদি তুমি কৰা |
| সি কৰে | যদি সি কৰে। ইত্যাদি। |

## ২ ঃ ২৬ বৰ্তমান অনুজ্ঞা (Present Imperative) ঃ

অনুজ্ঞা অৰ্থত বৰ্তমান কালত প্ৰথম পুৰুষ ভিন্ন অন্য পুৰুষবোৰত ক্ৰিয়াৰ ৰূপ কৰা হয়। যথা, তই পঢ়, তুমি পঢ়া, সি পঢ়ক বা সিহঁতে পঢ়ক।

যেতিয়া দিয়া, যেন, চোঁ, চোন, হঁক, ব'লা আদি ক্ৰিয়াৰ পিছত যোগ কৰি অনুজ্ঞা কৰা হয়, তেতিয়া প্ৰথম পুৰুষতো অনুজ্ঞাৰ ৰূপ কৰিব পাৰি। যথা, মই বা আমি পঢ়োঁ দিয়া (অৰ্থাৎ Let me read or Let us read)। আমি পঢ়োঁচোন। আমি পঢ়োঁহঁক। আমি পঢ়োঁ ব'লা। মই যেন লিখোঁ। খেলা চাবলৈ যাওঁ ব'লা। মই লিখিছোঁ বাৰু।

দ্বিতীয় পুৰুষৰ তুচ্ছাৰ্থে অনুজ্ঞাৰ 'অ' বিভক্তি উচ্চাৰণ নহয়। যেনে, (নিৰ্দেশক) তই কিতাপখন পঢ় (প্-অ-ঢ়্-অ)। কিন্তু অনুজ্ঞাত তই কিতাপ পঢ় (প্-অ-ঢ়্)।

২ ঃ ২৭ নিত্য বৰ্তমানৰ নিৰ্দেশক আৰু অনুজ্ঞাই প্ৰকৃততে অসমীয়াত মৌলিক কাল। নিত্য বৰ্তমানৰ বিভক্তিৰ ৰূপে আন আন প্ৰত্যয় বা সহায়কাৰী ক্ৰিয়াৰ সহযোগত যৌগিকভাৱে আন আন কালত ব্যৱহাৰ হয়। সেইবাবে অসমীয়াত এইবোৰ কালক যৌগিক বা মিশ্ৰ কাল বুলিব পাৰি।

## ২ ঃ ২৮ স্বৰূপ বৰ্তমান

| | ১ম পুৰুষ | ২য় পুৰুষ (তুচ্ছাৰ্থে) | ২য় পুৰুষ (মান্যাৰ্থে) | ৩য় পুৰুষ |
|---|---|---|---|---|
| (খ) স্বৰূপ বৰ্তমান | ইছোঁ<br>ই-আছ + ও | ইছ<br>ই-আছ + অ | ইছা<br>ই-অছ + আ | ইছে<br>ই-আছ + এ |

(ক) বৰ্তমান কোনো কাম শেষ বা পূৰ্ণ হোৱা বুজায়, অথচ তাৰ ফল বা প্ৰভাৱ এতিয়াও আছে, নাইবা (২) কামটো চলি থকা বুজায় তাকেই স্বৰূপ বৰ্তমান কাল বোলে। যেনে, মই চিঠি লিখিছোঁ। ইয়াত চিঠি লিখা কামটো বৰ্তমানত চলি থকা বুজাইছে অৰ্থাৎ চিঠি লিখা কামটো কৰি আছোঁ। নাইবা চিঠি লিখা কামটো বৰ্তমানে শেষ কৰিছোঁ।

| | |
|---|---|
| তই পঢ়িছ | তই পঢ়ি আছ। |
| তুমি পঢ়িছা | তুমি পঢ়ি আছা। |
| সি পঢ়িছে | সিহঁতে পঢ়ি আছে। |

অসমীয়াত ই + √ আছ্, অবিভক্ত হৈ ব্যৱহাৰ হ'লে √ আছ্ ধাতুৰ নিত্য বৰ্তমানৰ নিৰ্দেশক ৰূপৰ সকলো পুৰুষ বচনত ৰূপ হয় আৰু আছ্ ধাতুৰ আ লোপ পায়। তেতিয়া ই + আছোঁ = ইছোঁ।

ই + আছ্ = ইছ, ই + আছা = ইছা, ই + আছে = ইছে ৰূপে হয়। এনে ক্ৰিয়া বিভক্তিৰ ৰূপ যুক্তৰূপ মাথোন। গতিকে যৌগিক ৰূপ।

২ ঃ ২৯ চলি (Continuous tense) বুজাবলৈ সাধাৰণতে অযুক্তভাৱে ব্যৱহাৰ কৰা হয়। যেনে,

| | |
|---|---|
| আমি খেলি আছোঁ— | We are playing. |
| তই খেলি আছ<br>তুমি খেলি আছা | You are playing. |
| সি খেলি আছে | He is playing. |

২ ঃ ৩০ গতিকে ঘটমান বৰ্তমান (Present Progressive) বুজাবলৈ কৰ্, ধৰ্, লাগ্ আদি ধাতুৰ লগত অসমাপিকা ই যোগ কৰি আছ্ ধাতুৰ নিত্য বৰ্তমানৰ নিৰ্দেশক ৰূপত যুক্ত বা অযুক্তভাৱে পুৰুষ ভেদে ৰূপ কৰা হয়। যেনে,

মই কৰি আছোঁ। মই লিখিব ধৰিছোঁ। আমি লিখিব লাগিছোঁ। তই কৰি আছ। তই লিখিব ধৰিছ। তই লিখিব লাগিছ। তুমি কৰি আছাঁ। তুমি লিখিব ধৰিছাঁ। তুমি লিখিব লাগিছাঁ। সি কৰি আছে। সিহঁতে লিখিব ধৰিছে। তেওঁলোকে লিখিব লাগিছে। ইত্যাদি।

## অতীত কাল (Past Tense)

২ ঃ ৩১ যি ক্ৰিয়াৰ কাল অতীত হৈ গৈছে তাকেই ভূত কাল বা অতীত কাল বোলে। ই প্ৰধানকৈ দুবিধ (ক) স্বৰূপ ভূত বা সামীপ্য ভূত বা সাধাৰণ ভূত আৰু (খ) নিত্য বা পৰোক্ষ ভূত।

স্বৰূপ ভূতৰ নিৰ্দেশক ৰূপৰ বাহিৰেও সম্ভাব্য ৰূপৰ ক্ৰিয়া ৰূপ হয়। সম্ভাব্য ভাব-ৰূপৰ (Conditional mood) সুপ্ৰয়োগ আছে বাবে সম্ভাব্য ভূতকাল নাম দি আন এটি বিভাগ কৰা হৈছে; ইয়াকে ধৰি অতীত ক্ৰিয়া তিনি বিধ। যথা, (১) স্বৰূপ ভূত বা সামীপ্য ভূত, (২) নিত্য বা পৰোক্ষ ভূত আৰু (৩) সম্ভাব্য ভূত।

২ ঃ ৩২ স্বৰূপ ভূত বা সামীপ্য ভূত বা সাধাৰণ ভূত ঃ যি ক্ৰিয়াৰ কাৰ্য আগতে শেষ হৈ গৈছে, তেনে ক্ৰিয়াৰ কালকে স্বৰূপ ভূত বা সামীপ্য ভূত বোলে। যেনে, মই দেখিলোঁ, অৰ্থাৎ দেখা কামটো শেষ কৰিছোঁ। তুমি খালাঁ। অৰ্থাৎ খোৱা কামটো শেষ কৰিলাঁ। সি পঢ়িলে। অৰ্থাৎ পঢ়া কামটো শেষ কৰিছে।

২ ঃ ৩৩ নিত্য বা পৰোক্ষ ভূত কাল ঃ কোনো এটি বিশেষ অতীত কালত কামটো শেষ হোৱা বুজালে নাইবা অতীতত হৈ যোৱা কোনো এটি কামৰ আগৰ কালত ক্ৰিয়াটো হোৱা বুজালে, তেনে ক্ৰিয়াকেই নিত্য বা পৰোক্ষ ভূত কোৱা হয়।

যথা, চীন আক্ৰমণে সমগ্ৰ দেশবাসীক এক **কৰিছিল**। ইয়াত এক কৰা কাৰ্য অতীতত সংঘটিত হোৱা বুজাইছে। সিহঁতে **লিখিছিল**, মই কান্দিছিলোঁ ইত্যাদি।

**২ ঃ ৩৪ সম্ভাব্য ভূত ঃ** অতীতত কোনো কাম সমাধা হ'বৰ সম্ভাৱনা আছিল, কিন্তু কামটো হৈ নুঠিল। এনে ভাব বুজাবলৈ সম্ভাব্য ভূত কাল ব্যৱহাৰ হয়। ই প্ৰকৃততে অতীত কালৰ সম্ভাব্য ভাব-ৰূপহে (Past Conditional Mood)। যেনে, যদি দৰ্খাস্তখন দিলেহেঁতেন সহজে চিমেণ্ট কেইবস্তা পালেহেঁতেন।

ইয়াত দৰ্খাস্তখন দিয়া নাছিল বাবে চিমেণ্ট কেইবস্তা নাপালে, দৰ্খাস্ত দিলে পোৱাৰ সম্ভাৱনা আছিল। এনে ভাব বুজাইছে।

## ২ ঃ ৩৫ অতীত কাল (Past Tense)

| কাল | ১ম পুৰুষ | ২য় পুৰুষ তুচ্ছাৰ্থে | ২য় পুৰুষ সাধাৰণাৰ্থে | ৩য় পুৰুষ |
|---|---|---|---|---|
| | মই-আমি | তই-তহঁত | বা সামান্যাৰ্থে তুমি তোমালোক | সি, তাই ই সিহঁত-ইহঁত |
| (ক) স্বৰূপ ভূত বা সামীপ্য ভূত (i) নিৰ্দেশক ৰূপ | ইলোঁ (লোঁ) | ইলি (লি) | ইলাঁ (লা) | ইলে (লো) ইলা (পুৰণি অসমীয়া) |
| (ii) সম্ভাব্য | ইলোঁহেঁতেন ইলোঁ হয় | ইলিহেঁতেন ইলি হয় | ইলাঁহেঁতেন ইলাঁ হয় | ইলেহেঁতেন ইলে হয় |
| (খ) নিত্য বা পৰোক্ষ ভূত কাল নিৰ্দেশক ৰূপ | ইছিলোঁ (ছিলোঁ) | ইছিলি (ছিলি) | ইছিলাঁ (ছিলাঁ) | ইছিলে (ছিলে) |

**২ ঃ ৩৬ নিত্য বা পৰোক্ষ ভূত ঃ** ই এটা যৌগিক কাল (Periphrastic Tense)। মূল ধাতুটোত কৃত্ প্ৰত্যয় 'ই' যোগ কৰি সহায়কাৰী √ আছ্ ধাতুত স্বৰূপ ভূত কালৰ বিভক্তি যোগ কৰি এই কাল সিদ্ধ কৰা হয়। যথা, কৰ্ + ই = কৰি + √ আছ্ + ইলোঁ, কৰি + আছিলোঁ = কৰিছিলোঁ ঃ তেনেকৈ খা + ই = খাই + অ √ ছি + ইলি, খাই + আছিলি = খাইছিলি।

(ক) অতীত কালত কোনো কাম হ'লে ক্রিয়াটো পৰোক্ষ ভূতৰ হয়; ক্রিয়া পুৰুষ ভেদে ইছিলোঁ (ই + √ আছ্ + ইলোঁ), ইছিলি; ইছিলাঁ, ইছিলে ব্যৱহাৰ হয়। যেনে— মই ভাত খাইছিলোঁ। সি কলেজত পঢ়িছিল। তাই জাপানলৈ গৈছিল। তুমি চিঠি লিখিছিলাঁ। তই নাচিছিলি। ইত্যাদি।

(খ) অতীতত হৈ যোৱা কাৰ্যৰ আগতে আন এটি কাৰ্য হোৱা বা হৈ থকা বুজালেও এই কাল হয়। যথা, সি স্কুললৈ যোৱাৰ আগতে ভাত খাইছিল। অৰ্থাৎ যোৱাৰ আগতে সি ভাত খাই আছিল, ভাত খোৱা কাম কৰি আছিল। মই গৈ পোৱাৰ আগতে সভা আৰম্ভ হৈছিল।

আকৌ, শোভাযাত্ৰা আহোঁতে মই ভাত খাইছিলোঁ বা খাই আছিলোঁ। ৰাতিপুৱা মাছ মাৰিছিলোঁ অৰ্থাৎ মাছ মাৰি আছিলোঁ। অতীতত কাৰ্য ঘটি থকা বা চলি থকা বুজোৱা বাবে এই যৌগিক ক্রিয়াক ঘটমান ভূত কাল (Past Progressive) কোৱা হয়।

**২ ঃ ৩৭ স্বৰূপ ভূত বা সামীপ্য ভূত সাধাৰণ ভূত** (নিৰ্দেশক ৰূপ) ঃ

(ক) সাধাৰণতে বৰ্তমানৰ আগতে শেষ হৈ যোৱা ক্রিয়াৰ অৰ্থ বুজাবলৈ সাধাৰণ ভূত কাল ব্যৱহাৰ হয়। যথা, মই পুথিখন পঢ়িলোঁ। ইয়াত পঢ়িলোঁ ক্রিয়াই পঢ়া কাৰ্যটো অলপ আগতে শেষ হোৱা বুজাইছে।

(খ) অতীতৰ কথা ক'বলৈ যাওঁতে সাধাৰণতে এই ভূত কালকেই ব্যৱহাৰ কৰা হয়। যেনে, মানৰ আক্রমণত অসম জুৰুলা হ'ল। মানে দেশ জয় কৰিলে। অসমীয়া বীৰসকলৰ সন্তানে বীৰত্ব হেৰুৱালে; ইত্যাদি।

(গ) পুৰণি অসমীয়াত তৃতীয় পুৰুষৰ ক্রিয়াতো 'ইলে'ৰ সলনি 'ইলা'হে ব্যৱহাৰ হোৱা দেখা যায়। যথা, অনন্ত সাগৰত নিদ্ৰা কৰিলা।

(ঘ) হাঁহ, কান্দ্, লৰ্, কাছ্, নাচ্, হাগ্, মুত্, ওমল্, শো আদি ধাতুৰ বাহিৰে অকৰ্মক ধাতুৰ সাধাৰণতে তৃতীয় পুৰুষৰ 'ইলে' (ল) বিভক্তিৰ 'এ'-কাৰ লোপ পায়। যথা, সি গ'ল। মাক মৰিল। ফল সৰিল। আম পৰিল। ইত্যাদি।

কিন্তু এই অকৰ্মক ধাতুবোৰ পাঁচনী হ'লে এ-কাৰ যোগ হয়। যথা, সি মাৰিলে। আম পৰালে বা পাৰিলে ইত্যাদি।

**১ ঃ ৩৮ সম্ভাব্য ভূত** (Conditional Past) **ব্যৱহাৰ ঃ**

(১) ভূত কালত অসমাপিকা ক্রিয়া প্ৰকাশ কৰিবৰ কাৰণে আ প্ৰত্যয়ান্ত কৃদন্ত পদৰ পিছত হেঁতেন বা হ'লে প্ৰত্যয় যোগ কৰি ভূত অসমাপিকা (Preterite conjunctive) প্ৰকাশ কৰা হয়। যথা, তুমি পঢ়াহেঁতেন বা পঢ়া হ'লে, মই লিখাহেঁতেন বা লিখা হ'লে (Had I written) এনে ভূত অসমাপিকা ক্রিয়াৰ পিছত সদায় সম্ভাব্য ভূত ব্যৱহাৰ হয়। যথা, মই ৰচনাখন লিখাহেঁতেন প্ৰথম পুৰস্কাৰ পালোঁহেঁতেন। কুঁহিয়াৰ পোৱাহেঁতেন, মই খালোঁহেঁতেন।

(২) গতিকে সম্ভাব্য ভূতত পুৰুষ ভেদে ধাতুটোও স্বৰূপ ভূতৰ বিভক্তি যোগ হোৱাৰ পাছত সকলো পুৰুষ আৰু বচনত হেঁতেন বা হয় যোগ হয়। ভূত অসমাপিকা

ধাতুত আ কৃদন্ত প্ৰত্যয় যোগ হয়। কিন্তু সম্ভাব্য ভূতত সদায় 'ইল' প্ৰত্যয় (Perfect Participle) ব্যৱহাৰ হয়। তাৰ পিছতহে হেঁতেন বা হয় যোগ হয়।

(ক) মোক সেই কথা কোৱাহেঁতেন, এনে হ'বলৈ নাপালেহেঁতেন। অৰ্থাৎ কামটো এনে হোৱাৰ আগতে মোক সেই কথা নক'লে।

(খ) মোক সেই কথা কোৱা হ'লে, এনে হ'বলৈ নাপালে হয়।

(গ) প্ৰাণক তেজিলোঁ হয় তোমাৰ সন্তাপে। (মাধৱ কন্দলী)

(৩) ইচ্ছা-আকাংক্ষাদি বুজাবলৈ কেতিয়াবা সম্ভাব্য ভূতৰ ব্যৱহাৰ হয়। যথা, তুমি যদি আহিলাঁহেঁতেন। (অৰ্থাৎ আহিলে কিবা কৰিলেহেঁতেন উহ্য আছে। কিন্তু তুমি নাহিলা।)

যদি এই কথা শুনিলোঁহেঁতেন (অৰ্থাৎ কিবা উপকাৰ হ'লহেঁতেন উহ্য আছে, কিন্তু এই কথা নুশুনিলোঁ।)

(৪) অনিশ্চিত অৰ্থত 'হ'বলা', 'হ'ব পায়' শব্দ প্ৰয়োগ কৰিও অনিৰ্দিষ্ট সম্ভাব্য কাল (Indefinite Conditional Tense) বুজোৱা হয়। ই বৰ্তমান, অতীত বা ভৱিষ্যৎ কালত ব্যৱহাৰ হয়। যথা,

তাই ঘৰত আছে হ'বলা (হ'ব পায়)। (বৰ্তমান কালত)

তাই ঘৰত আছিল হ'বলা (হ'ব পায়)। (অতীত)

তেনেকৈ বৰ্তমান কালত— ৰহমানে কলেজত পঢ়ে হ'বলা (হ'ব পায়)।

অতীত কালত — টেৰণে কথাবোৰ জানিছিল হ'বলা (হ'ব পায়)।

ভৱিষ্যত কালত — পাটৰে মাংস খাব হ'বলা (হ'ব পায়)।

(৫) বাৰে বাৰে হেঁতেন ব্যৱহাৰ নকৰি— যেনে, সি আহিলে মই গ'লোঁহেঁতেন বা গ'লোঁ হয়। তুমি ক'লে সিহঁতে আহিলহেঁতেন। ইত্যাদি সংযোজক কৃদন্ত 'ইলে' ভূত অসমাপিকাত ব্যৱহাৰ হ'লে, হেঁতেন যোগ কৰা নহয়, অকল সম্ভাব্য ভূত কালৰ ক্ৰিয়াতহে ব্যৱহাৰ হয়।

## ২ ঃ ৩৯ ভৱিষ্যত কাল (Future Tense) ঃ

আগলৈ কোনো কাৰ্য কৰা হ'ব, এনে অৰ্থত ক্ৰিয়াৰ ভৱিষ্যৎ কাল ব্যৱহাৰ হয়। যথা, মই স্কুললৈ যাম (অৰ্থাৎ স্কুললৈ যোৱা কাম ভৱিষ্যতে হ'ব)। চিঠিখন লিখিবি। বহীখন আনিব। সি পঢ়িব ইত্যাদি।

### সাধাৰণ নিৰ্দেশক ৰূপ (Indicative mood)

| | ১ম পুৰুষ | ২য় পুৰুষ তুচ্ছাৰ্থে | ২য় পুৰুষ সাধাৰণাৰ্থে | ৩য় পুৰুষ |
|---|---|---|---|---|
| ভৱিষ্যৎ কাল | মই, আমি | তই, তহঁত | তুমি তোমালোকে | সি, সিহঁত |
| নিৰ্দেশক } অনুজ্ঞা | ম বোঁ (পুৰণি অসমীয়া) | বি | বা | বা |

অনুজ্ঞাত ২য় পুৰুষত নিৰ্দেশক ৰূপেই ব্যৱহাৰ হয়। যথা, তই পাঠটো পঢ়িবি। তুমি পাঠটো পঢ়িবাঁ। ইত্যাদ।

নিষেধ, আদেশ, উপদেশ, অনুৰোধ, প্ৰাৰ্থনা, আশীৰ্বাদ, প্ৰতিজ্ঞা আদি বুজাবলৈ ভৱিষ্যৎ কালৰ ক্ৰিয়া ব্যৱহাৰ হয়। যথা, মই এইবাৰ পাছ কৰিমেই (প্ৰতিজ্ঞা)। ঈশ্বৰে মোৰ মংগল কৰিব (আকাংক্ষা)। হে প্ৰভু, আমাৰ একেটি পোনাৰ প্ৰতিও এধানি কৃপা কৰিবা (প্ৰাৰ্থনা)। চহৰৰপৰা আহোঁতে এটি কলম লৈ আহিবাঁ (অনুৰোধ)। চহৰত চাহৰ দোকানত নোসোমাই কিতাপৰ দোকানত সোমাবাঁ (উপদেশ)।

**২ ঃ ৪০** ভৱিষ্যৎ কালত কাম কৰি থকা বুজাবলৈ ঘটমান ভৱিষ্যৎ (Future Progressive) যৌগিক ক্ৰিয়া ব্যৱহাৰ কৰা হয়। যথা, মই/আমি পঢ়ি থাকিম। তই/ তইঁতে পঢ়ি থাকিবি। তুমি/তোমালোকে পঢ়ি থাকিবাঁ। সি/সিহঁতে পঢ়ি থাকিব। ইত্যাদি।

**২ ঃ ৪১ ঔচিত্যজ্ঞাপক ক্ৰিয়া ঃ**

উচিত অৰ্থ বুজাবলৈ সংস্কৃত বিধিলিঙ্, আশীলিঙ্ আদিৰ বিভক্তি প্ৰয়োগৰ দৰে অসমীয়াত কোনো কাল নাই। কিন্তু মূল ক্ৰিয়াটো কৃদন্ত কৰি 'লাগে', 'উচিত' ব্যৱহাৰ কৰিব লাগে। সকলো পুৰুষ আৰু বচনত একে ৰূপ হয়। যথা,

(১) মূল ধাতুত 'আ' প্ৰত্যয় সংযোগ কৰি— যথা, মই দেশৰ বাবে মৰা উচিত। তই বা তুমি কিতাপখন পঢ়া উচিত। সি ঘৰলৈ যোৱা উচিত। সিহঁত বা আমি যোৱা উচিত।

(২) ইব (ব) যোগ কৰি – যথা, মই ঘৰলৈ যাব লাগে। কিতাপখন তুমি পঢ়িব লাগে। ইত্যাদি। আ-প্ৰত্যয়ান্ত কৃদন্তৰ অন্তত 'উচিত' আৰু 'ইব' প্ৰত্যয়ান্ত কৃদন্তৰ পিছত 'লাগে' ঔচিত্য অৰ্থত ব্যৱহাৰ হয়।

## ধাতুত ক্ৰিয়া বিভক্তি সংযোগ পদ্ধতি

**২ ঃ ৪২** (ক) ব্যঞ্জনান্ত ধাতুত বিভক্তিৰ আদিস্বৰ তাৰ শেষ ব্যঞ্জনত যোগ হয়। যথা, পঢ় + ইছোঁ = পঢ়িছোঁ, পঢ় + ইছিলোঁ = পঢ়িছিলোঁ, কৰ্ + ওঁ = কৰোঁ। ইত্যাদি।

(খ) আ আৰু ও কাৰান্ত ধাতুৰ পিছত সাধাৰণতে ইলোঁ, ইলি, ইলাঁ, ইলে, বিভক্তিৰ আদি 'ই' লোপ পায়। যথা, পা + ইলোঁ = পালোঁ। কিন্তু পৰোক্ষ ভূত আৰু স্বৰূপ বৰ্তমানৰ বিভক্তিৰ 'ই' লোপ নহয়।

যেনে, পা + ইছোঁ = পাইছোঁ, খা + ইছোঁ = খাইছোঁ, শো + ইছোঁ = শুইছোঁ। খা + ইছিলোঁ = খাইছিলোঁ, শো + ইছিল = শুইছিল।

(গ) সকলোবিধ ধাতুৰ পিছত অনুজ্ঞাৰ 'অ' লোপ পায়।

(ঘ) অনুজ্ঞাৰ দ্বিতীয় পুৰুষত তুচ্ছাৰ্থে 'দি' ধাতু 'দে' আৰু 'নি' ধাতু 'নে' হয়।

DAILY ASSAM



(ঙ) স্বৰূপ বৰ্তমান আৰু পৰোক্ষ ভূত কালত 'অ'-কাৰান্ত ধাতু ঐ-কাৰান্ত হয়। যথা, ক-ধাতু কৈছে, কৈছিল, ৰ-ধাতু ৰৈছে, ৰৈছিল, ল-ধাতু লৈছে, লৈছিলোঁ, থ-ধাতু থৈছে, থৈছিল। ইত্যাদি।

(চ) ই কাৰান্ত ধাতুৰ পিছত বিভক্তিৰ আদি ই লোপ পায়। যথা, নি-ইলোঁ = নিলোঁ, নি-ইছিলোঁ = নিছিলোঁ, সী-ইলে = সীলে।

(ছ) সোমা, ওলা, ওলম্ ধাতুৰ বাহিৰে আদিতে ওকাৰ থকা ধাতুৰ বিভক্তি যোগত উ হয়। কিন্তু নিত্য বৰ্তমান কালত নহয়। যেনে, ওপজে— কিন্তু উপজিছে। শোৱে— কিন্তু শুইছে।

(জ) প্ৰথম আৰু দ্বিতীয় পুৰুষৰ বহু বচনত প্ৰাচীন আৰু আধুনিক যুগতো ৰূপ পোৱা ক্ৰিয়াটোৰ পিছত বহুবচন বুজোৱা চিন হঁক ব্যৱহাৰ হয়। যথা, আমি খাওঁহঁক, খালোঁহঁক, কৰিমহঁক, তোমালোক যোৱাহঁক, গ'লাহঁক, যাবাহঁক।

## ২ ঃ ৪৩ ধাতুৰূপ

### অ-কাৰান্ত সকৰ্মক 'ল' ধাতু (to take)

| কাল | ১ম পুৰুষ | ২য় পুৰুষ (তুচ্ছাৰ্থে) | ২য় পুৰুষ সাধাৰণাৰ্থে | ৩য় পুৰুষ |
|---|---|---|---|---|
| ১। বৰ্তমান কাল | মই, আমি | তই, তইঁতে | তুমি তোমালোকে | সি, সিহঁতে, তেওঁ তেওঁলোকে |
| নিত্য বৰ্তমান (ক) নিৰ্দেশক | লওঁ-লওঁ | ল (লব) | লোৱা-লোৱা | লয়-লয় |
| | | ল (লব) | লোৱা-লোৱা | ল'ক্ (লওক) |
| (খ) অনুজ্ঞা | | ল-ল, লইঁক | লোৱাহঁক | ল'ক (লওক) |
| ২। অতীত কাল-স্বৰূপ ভূত | ললোঁ-ললোঁ লৈছিলোঁ লৈছিলোঁ ললোহেঁতেন (হয়) | ললি-ললি লৈছিলি লৈছিলি ললিহেঁতেন (হয়) | ললাঁ-ললাঁ লৈছিলাঁ লৈছিলাঁ ললাঁহেঁতেন (হয়) | ললে-ললে লৈছিল লৈছিল ললেহেঁতেন (হয়) |
| সম্ভাব্য ভূত | ললেহেঁতেন (হয়) | ললিহেঁতেন (হয়) | ললাঁহেঁতেন (হয়) | ললেহেঁতেন (হয়) |

৩। ভবিষ্যৎ কাল

| | | | | |
|---|---|---|---|---|
| (ক) নিৰ্দেশক— | লম-লম | লবি-লবি | লবাঁ-লবাঁ | লব-লব |
| (খ) অনুজ্ঞা | | লবি-লবি | লবাঁ-লবাঁ | লব-লব |

কৃদন্ত ৰূপ ঃ

তুমৰ্থক 'ৰ' ক্ৰিয়াৰ্থ ক্ৰিয়া— লব, লবলৈ

কৃদন্ত সংযোজক বা অসমাপিকা — লৈ, ল'ই

পূৰ্ণকৃৎ (Perfect Participle) — লোৱা,

কৃদন্ত সংজ্ঞা বা বিশেষণ — লোৱা।

কৃদন্ত ক্ৰিয়া বিশেষণ — লওঁতে, লোৱাত, ললে

ক্ৰিয়া — কৰ্তা-লওঁতা, লৱন্তা, (স্ত্ৰী লৱঁতী)

## অ-কাৰান্ত অকৰ্মক 'হ' ধাতু (to be)

| কাল | ১ম পুৰুষ | ২য় পুৰুষ (তুচ্ছাৰ্থে) | ২য় পুৰুষ (সাধাৰণাৰ্থে) | ৩য় পুৰুষ |
|---|---|---|---|---|
| | মই-আমি | তই-তহঁত | তুমি-তোমালোক | সি-সিহঁত |
| **১। বৰ্তমান ঃ** | | | | |
| নিত্য বৰ্তমান — | | | | |
| (ক) নিৰ্দেশক | হওঁ | হ' হ'ৱ হোৱ | হোৱাঁ | হয় |
| (খ) অনুজ্ঞা | — | হ, | হোৱাঁ | হক, হওক |
| স্বৰূপ বৰ্তমান | হৈছোঁ | হৈছ | হৈছাঁ | হৈছে |
| **২। অতীত কাল ঃ** | | | | |
| স্বৰূপ ভূত | হলোঁ | হলি | হ'লাঁ | হ'ল |
| পৰোক্ষ ভূত | হৈছিলোঁ | হৈছিল | হৈছিলাঁ | হৈছিল |
| সম্ভাব্য ভূত | হলোঁহেঁতেন | হলিহেঁতেন | হ'লাঁহেঁতেন | হ'লহেঁতেন |
| **৩। ভবিষ্যৎ কাল ঃ** | | | | |
| | মই-আমি | তই-তহঁত | তুমি-তোমালোক | সি-সিহঁত |
| (ক) নিৰ্দেশক | হম | হবি | হ'বাঁ | হ'ব |
| (খ) অনুজ্ঞা | — | হবি | হ'বাঁ | হ'ব |

**কৃদন্ত ৰূপ ঃ**

তুমৰ্থক ৰূপ— হ'ব, হ'বলৈ

কৃদন্ত সংযোগ বা অসমাপিকা— হৈ,

---

* 'হ' ধাতুৰ বৰ্তমানৰ ৰূপ সাধাৰণতে বাক্য বিশেষে উহ্য থাকে। যথা, মই এজন কলেজীয়া ছাত্ৰ অৰ্থাৎ হওঁ উহ্য আছে। তই এজন ছাত্ৰ। অৰ্থাৎ ছাত্ৰ হৱ বা হ। তুমি এজন ছাত্ৰ। অৰ্থাৎ ছাত্ৰ হোৱা। তেওঁ এজন শিক্ষক। অৰ্থাৎ শিক্ষক হয়। দ্বিতীয় পুৰুষত উল্লেখ থাকিলে অনুজ্ঞা অৰ্থ কৰে। যেনে, আজিৰ বাবে তুমি শিক্ষক হোৱা। পঢ়ি-শুনি ডাঙৰ মানুহ হ।

পূৰ্ণ কৃৎ (perfect participle) — হোৱা, হ'ল
কৃদন্ত সংজ্ঞা বা বিশেষণ— হোৱা।
কৃদন্ত ক্ৰিয়াবিশেষণ— হওঁতে, হ'লত, হ'লে,
ক্ৰিয়াকৰ্তা— হওঁতা, হওঁতা (স্ত্ৰী— হৱঁতী)

## ব্যঞ্জনান্ত সকৰ্মক 'কৰ' ধাতু (to do)

| কাল | ১ম পুৰুষ | ২য় পুৰুষ (তুচ্ছাৰ্থে) | ২য় পুৰুষ (সাধাৰণাৰ্থে) | ৩য় পুৰুষ |
|---|---|---|---|---|
| | মই-আমি | তই-তহঁতে | তুমি-তোমালোকে | সি-সিহঁতে |
| **১। বৰ্তমান কাল ঃ** | | | | |
| নিত্য বৰ্তমান | | | | |
| (ক) নিৰ্দেশক | কৰোঁ | কৰ | কৰাঁ | কৰে |
| (খ) অনুজ্ঞা | — | কৰ | কৰাঁ-কৰাঁহঁক | কৰক কৰোঁক |
| (গ) স্বৰূপ | | | | |
| বৰ্তমান | কৰিছোঁ | কৰিছে | কৰিছাঁ | কৰিছে |
| **২। অতীত কাল ঃ** | | | | |
| স্বৰূপ ভূত | কৰিলোঁ | কৰিলি | কৰিলাঁ | কৰিলে |
| পৰোক্ষ ভূত | কৰিছিলোঁ | কৰিছিলি | কৰিছিলাঁ | কৰিছিল |
| সম্ভাব্য ভূত | কৰিলোঁ-হেঁতেন | কৰিলি-হেঁতেন | কৰিলাঁ-হেঁতেন | কৰিলে-হেঁতেন |

| কাল | ১ম পুৰুষ | ২য় পুৰুষ (তুচ্ছাৰ্থে) | ২য় পুৰুষ (সাধাৰণাৰ্থে) | ৩য় পুৰুষ |
|---|---|---|---|---|
| | মই-আমি | তই-তহঁতে | তুমি-তোমালোক | সি-সিহঁত |
| **৩। ভৱিষ্যৎ কাল ঃ** | | | | |
| নিৰ্দেশক | কৰিম | কৰিবি | কৰিবাঁ | কৰিব |
| অনুজ্ঞা | — | কৰিবি | কৰিবাঁ | কৰিব |

## ব্যঞ্জনান্ত অকৰ্মক 'কান্দ' (to cry)

| | | | | | |
|---|---|---|---|---|---|
| **১। বৰ্তমান কাল ঃ** | | | | | |
| (ক) নিৰ্দেশক | কান্দো | কান্দ | কান্দা | কান্দাহঁক | কান্দে |
| (খ) অনুজ্ঞা | — | কান্দ | কান্দা | | কান্দক কান্দোক |
| স্বৰূপ বৰ্তমান | কান্দিছো | কান্দিছ | কান্দিছাঁ | | কান্দিছে |

২। অতীত কাল ঃ

| | | | | |
|---|---|---|---|---|
| স্বৰূপ ভূত — | কান্দিলোঁ | কান্দিলি | কান্দিলা঳ | কান্দিলে |
| পৰোক্ষ ভূত— | কান্দিছিলোঁ | কান্দিছিলি | কান্দিছিলা঳ | কান্দিছিল |
| সম্ভাব্য ভূত— | কান্দিলোঁ-হেঁতেন | কান্দিলে-হেঁতেন | কান্দিলা঳-হেঁতেন | কান্দিলে-হেঁতেন |

৩। ভবিষ্যৎ কাল ঃ

| | | | | |
|---|---|---|---|---|
| নিৰ্দেশক | কান্দিম | কান্দিবি | কান্দিবা঳ | কান্দিব |
| অনুজ্ঞা | — | কান্দিবি | কান্দিবা঳ | কান্দিব |

## অ-কাৰান্ত অকৰ্মক 'যা' ধাতু (to go)

১। বৰ্তমান কাল ঃ

নিত্য বৰ্তমান—

| | | | | |
|---|---|---|---|---|
| (ক) নিৰ্দেশক | যাওঁ | য, যাৱ | যোৱা঳ | যায় |
| (খ) অনুজ্ঞা | — | যা | যোৱা঳ | যক, যাওক |
| স্বৰূপ বৰ্তমান— | গৈছোঁ | গৈছ | গৈছা঳ | গৈছে |
| কাল | ১ম পুৰুষ | ২য় পুৰুষ (তুচ্ছাৰ্থে) | ২য় পুৰুষ (সাধাৰণাৰ্থে) | ৩য় পুৰুষ |
| | মই-আমি | তই-তহঁতে | তুমি-তোমালোক | সি-সিহঁতে |

২। অতীত কাল ঃ

| | | | | |
|---|---|---|---|---|
| স্বৰূপ ভূত — | গলোঁ | গ'লি | গ'লা঳ | গ'ল |
| পৰোক্ষ ভূত— | গৈছিলোঁ | গৈছিলি | গৈছিলা঳ | গৈছিল |
| সম্ভাব্য ভূত— | গ'লোঁহেঁতেন | গ'লাঁহেঁতেন | | গ'লহেঁতেন |

৩। ভবিষ্যৎ কাল ঃ

| | | | | |
|---|---|---|---|---|
| (ক) নিৰ্দেশক | যাম | যাবি | যাবা঳ | যাব |
| (খ) অনুজ্ঞা | — | যাবি | যাবা঳ | যাবা |

## ই-কাৰান্ত সকৰ্মক 'দ' ধাতু (to give)

১। বৰ্তমান কাল ঃ

নিত্য বৰ্তমান—

| | | | | |
|---|---|---|---|---|
| (ক) নিৰ্দেশক | দিওঁ | দিয় | দিয়া঳ | দিয়ে |
| (খ) অনুজ্ঞা | — | দে [বা দি] | দিয়া঳ | দিয়ক |
| স্বৰূপ বৰ্তমান— | দিছোঁ | দিছ | দিছা঳ | দিছে |

২। ভূত কাল ঃ

| | | | | |
|---|---|---|---|---|
| স্বৰূপ ভূত | দিলোঁ | দিলি | দিছা঳ | দিলে |
| পৰোক্ষ ভূত | দিছিলোঁ | দিছিল | দিছিলা঳ | দিছিল |
| সম্ভাব্য ভূত | দিলোঁহেঁতেন | দিলিহেঁতেন | দিলাহেঁতেন | দিলেহেঁতেন |

| | | | | |
|---|---|---|---|---|
| ৩। **ভৱিষ্যৎ কাল ঃ** | | | | |
| (ক) নিৰ্দেশক | দিম | দিবি | দিবাঁ | দিব |
| (খ) অনুজ্ঞা | — | দিবি | দিবাঁ | দিব |

## ও-কাৰান্ত সকৰ্মক 'ধো' ধাতু (to wash)

| কাল | ১ম পুৰুষ | ২য় পুৰুষ (তুচ্ছাৰ্থে) | ২য় পুৰুষ (সাধাৰণাৰ্থে) | ৩য় পুৰুষ |
|---|---|---|---|---|
| | মই-আমি | তই-তহঁতে | তুমি-তোমালোকে | সি-সিহঁত |
| ১। **বৰ্তমান ঃ** | | | | |
| নিত্য বৰ্তমান— | | | | |
| (ক) নিৰ্দেশক | ধোঁ, ধোওঁ | ধোৱ | ধোৱাঁ | ধোৱে |
| (ক) অনুজ্ঞা | — | ধো | ধোৱাঁ | ধোৱক, ধোওক |
| স্বৰূপ বৰ্তমান | ধুইছোঁ | ধুইছ | ধুইছাঁ | ধুইছে |
| ২। **ভূতকাল ঃ** | | | | |
| স্বৰূপ ভূত | ধুলোঁ | ধুলি | ধোলাঁ, ধুলাঁ, | ধোলে, ধুলে |
| পৰোক্ষ ভূত | ধুইছিলোঁ | ধুইছিলি | ধুইছিলাঁ | ধুইছিল |
| সম্ভাব্য ভূত | ধুলোঁহেঁতেন | ধুলিহেঁতেন | ধুলাঁহেঁতেন ধোলাহেঁতেন | ধুলেহেঁতেন |
| ৩। **ভৱিষ্যৎ কাল ঃ** | | | | |
| (ক) নিৰ্দেশক | ধুম, ধোম | ধুবি | ধোবাঁ, ধুবাঁ | ধোব, ধুব |
| (খ) অনুজ্ঞা | — | ধুবি | ধোবাঁ, ধুবাঁ | ধোব, ধুব |

## ও-কাৰান্ত 'শো' ধাতু (to sleep)

| | | | | |
|---|---|---|---|---|
| ১। **বৰ্তমান কাল ঃ** | | | | |
| (ক) নিৰ্দেশক | শো, শোওঁ | শোৱ | শোৱাঁ | শোৱে |
| (খ) অনুজ্ঞা | — | শো | শোৱাঁ | শোৱক, শোওক |
| স্বৰূপ বৰ্তমান | শুইছোঁ | শুইছ | শুইছাঁ | শুইছে |
| ২। **ভূত কাল ঃ** | | | | |
| স্বৰূপ ভূত | শুলোঁ | শুলি | শুলাঁ | শুলে, শোলে |
| কাল | ১ম পুৰুষ | ২য় পুৰুষ (তুচ্ছাৰ্থে) | ২য় পুৰুষ (সাধাৰণাৰ্থে) | ৩য় পুৰুষ |
| | মই-আমি | তই-তহঁতে | তুমি-তোমালোকে | সি-সিহঁতে |
| সম্ভাব্য ভূত | শুলোঁ-হেঁতেন | শুলি-হেঁতেন | শুলাঁ-হেঁতেন | শুলেহেঁতেন শোলেহেঁতেন |
| পৰোক্ষ ভূত | শুইছিলোঁ | শুইছিলি | শুইছিলাঁ | শুইছিল |

৩। **ভৱিষ্যৎ কাল ঃ**

| | | | | | |
|---|---|---|---|---|---|
| (ক) | নিৰ্দেশক | শুম | শুবি | শুবাঁ, শোবাঁ | শুব, শোব |
| (খ) | অনুজ্ঞা | — | শুবি | শুবাঁ, শোবাঁ | শুব, শোব |

তুমৰ্থক ৰূপ— শুব, শুবলৈ

কৃদন্ত সংযোজক বা অসমাপিকা— শুই

কৃদন্ত বিশেষণ— শোৱা

কৃদন্ত ক্ৰিয়া বিশেষণ— শোওঁতে, শোৱাত, শুলে

কৃদন্ত কৰ্তা— শোওঁতে (স্ত্ৰী-শোৱতী) শোওন্তা

## অনিয়মিত ক্ৰিয়া

**২ ঃ ৪৫** যিবোৰ ক্ৰিয়াৰ সকলো কালত আৰু সকলো পুৰুষত ৰূপ নহয় তাকেই অনিয়মিত ক্ৰিয়া বোলে। অনিয়মিত ক্ৰিয়া চাৰিটা— নাই, আছ্, থাক্, ব'ল্।

**২ ঃ ৪৬ নাই ঃ**

সংস্কৃত নিত্য বৰ্তমান (লট্) কালৰ তৃতীয় পুৰুষ একবচনত নাস্তি (ন-অস্তি) নঞৰ্থ ক্ৰিয়া উদ্ভৱ হৈছে। তদ্ভৱ শব্দ ৰূপে 'নাই' এই নাস্তি ক্ৰিয়াৰপৰা উদ্ভৱ হৈছে। (ন-অস্তি = নাস্তি > নাথি < নাহি > নাই)। কিন্তু তদ্ভৱ তৃতীয় পুৰুষৰ একবচনৰ নঞৰ্থ ক্ৰিয়া 'নাই' নিত্য বৰ্তমান আৰু স্বৰূপ বৰ্তমান কালত সকলো পুৰুষত উভয় বচনত একে ৰূপত ব্যৱহাৰ হয়। সাধাৰণতে আছ্ বা থাক্ ধাতুৰ বিপৰীতাৰ্থত ব্যৱহাৰ হয়। যথা, নিত্য বৰ্তমান— মই বা আমি নাই, তই বা তহঁত নাই, তুমি বা তোমালোক নাই, সি বা সিহঁত নাই।

ৰংমন ঘৰত আছে— ৰংমন ঘৰত নাই।

তাৰ কাম আছে— তাৰ কাম নাই।

সি কোঠাত আছে— সি কোঠাত নাই। ইত্যাদি।

**স্বৰূপ বৰ্তমান**— সাধাৰণতে নঞৰ্থ বুজাবলৈ মূল ক্ৰিয়াটো কৃদন্ত হোৱাৰ পিছত নাই ক্ৰিয়া যোগ কৰা হয়। যথা,

মই বা আমি পঢ়িছোঁ। মই বা আমি পঢ়া নাই।

'ন' অব্যয় শব্দ। 'নাই' বিশেষণ ৰূপে ব্যৱহাৰ হয়। যথা, নাই মোমাইতকৈ কণা মোমাই ভাল। বিশেষ্য ৰূপেও ব্যৱহাৰ হয়। এতিয়া হা-না নকৰিবা। ইত্যাদি।

তই বা তহঁতে পঢ়িছ, তই বা তহঁতে পঢ়া নাই।

তুমি বা তোমালোকে পঢ়িছা ; তুমি বা তোমালোকে পঢ়া নাই।

সি বা সিহঁতে পঢ়িছে। সি বা সিহঁতে পঢ়া নাই।

**২ ঃ ৪৭ আছ ধাতু ঃ**

সকলো পুৰুষত স্বৰূপ বৰ্তমান আৰু পৰোক্ষ ভূত কালতহে আছ্ ধাতুৰ ব্যৱহাৰ হয়। যথা,

স্বৰূপ বৰ্তমান—

মই-আমি আছোঁ। তই-তহঁত আছ। তুমি-তোমালোক আছাঁ।

সি-সিহঁত আছে।

বহুবচনত হঁক যোগ কৰিব পাৰি।

পৰোক্ষ ভূত—

মই-আমি আছিলোঁ। তই-তহঁত আছিলি। তুমি-তোমালোকে আছিলাঁ।

সি-সিহঁত আছিল।

বহুবচনত বিকল্পে হঁক যোগ কৰা হয়।

**২ ঃ ৪৮ থাব্ ধাতু ঃ**

আছ্ আৰু থাক্ ধাতু উভয়ে উভয়ৰ পৰিপূৰক ধাতু, সকলো পুৰুষত সকলো কালতে থাক্ ধাতুৰ ব্যৱহাৰ আছে। কিন্তু, বিকল্পে স্বৰূপ বৰ্তমান আৰু পৰোক্ষ ভূত কালত আছ্ ধাতুৰ ব্যৱহাৰ হয়। সেই বাবেহে অনিয়মিত ক্ৰিয়াৰ শাৰীত থাক্ ধাতু ৰখা হৈছে। যথা,

## থাক্ ধাতু (to stay)

| কাল | ১ম পুৰুষ | ২য় পুৰুষ (তুচ্ছাৰ্থে) | ২য় পুৰুষ (সাধাৰণাৰ্থে) | ৩য় পুৰুষ |
|---|---|---|---|---|
| | মই-আমি | তই-তহঁত | তুমি-তোমালোক | সি-সিহঁত |
| **১। বৰ্তমান কাল ঃ** | | | | |
| নিত্য বৰ্তমান | | | | |
| (ক) নিৰ্দেশক | থাকোঁ | থাক্ | থাকাঁ | থাকে |
| (খ) অনুজ্ঞা | — | থাক্ | থাকাঁ | থাকক, থাওক |
| স্বৰূপ বৰ্তমান | থাকিছোঁ বা আছোঁ | থাকিছ বা আছ্ | থাকিছাঁ বা আছাঁ | থাকিছে বা আছে |
| **২। অতীত কাল ঃ** | | | | |
| স্বৰূপ ভূত | থাকিলোঁ | থাকিলি | থাকিলাঁ | থাকিল |
| পৰোক্ষ ভূত | থাকিছিলোঁ বা আছিলোঁ | থাকিছিলি বা আছিলি | থাকিছিলাঁ বা আছিলাঁ | থাকিছিল বা আছিল |
| সম্ভাব্য ভূত | থাকিলোঁ-হেঁতেন | থাকিলি-হেঁতেন | থাকিলাঁ-হেঁতেন | থাকিল-হেঁতেন |
| **৩। ভৱিষ্যৎ কাল ঃ** | | | | |
| (ক) নিৰ্দেশক | থাকিম | থাকিবি | থাকিবাঁ | থাকিব |
| (খ) অনুজ্ঞা | — | থাকিবি | থাকিবাঁ | থাকিব |

কৃদন্ত ৰূপ—

তুমৰ্থক— থাকিব, থাকিবলৈ

কৃদন্ত সংযোজক বা অসমাপিকা— থাকি

কৃদন্ত ক্রিয়া বিশেষণ— থাকোঁতে, থকাত, থাকিল।

কৃদন্ত কৰ্তা— থাকোঁতা, থাকন্তা

**২ ঃ ৪৯ ব'ল্ ধাতু ঃ**

অনুজ্ঞাৰ্থত অৰ্থাৎ অনুৰোধ, আদেশ আদি অৰ্থত নিত্য বৰ্তমান আৰু ভৱিষ্যৎ কালৰ অনুজ্ঞাত ব'ল্ ব্যৱহাৰ হয়। গতিকে অনুজ্ঞাৰ দ্বিতীয় আৰু তৃতীয় পুৰুষতহে ব্যৱহাৰ হয়। যথা,

নিত্য বৰ্তমান— অনুজ্ঞা

২য় পুৰুষ (তুচ্ছাৰ্থে) তই ব'ল, তহঁত ব'ল।

২য় পুৰুষ (সাধাৰণাৰ্থে) তুমি ব'লা, তোমালোক ব'লা বা ব'লাহঁক।

৩য় পুৰুষ — তেওঁ, তেখেত ব'লক্, তেওঁলোক বা তেখেতসকল ব'লক্।

ভৱিষ্যৎ কালৰ অনুজ্ঞাত বিশেষকৈ অনুৰোধ, আদেশ, প্ৰস্তাৱ আদি অৰ্থত সহায়কাৰী ধাতু ৰূপে ব্যৱহাৰ হয়। সকলো পুৰুষত ৰূপ হয়। যথা,

১ম পুৰুষ— আমি যাম ব'লা।

২য় পুৰুষ (তুচ্ছাৰ্থে) — তই বা তহঁত যাবি ব'ল।

২য় পুৰুষ (সাধাৰণাৰ্থে) — তুমি বা তোমালোক যাবা ব'লা।

৩য় পুৰুষ— তেওঁ বা তেওঁলোক যাব ব'লক। ইত্যাদি।

## পাঁচনী ক্রিয়া

২ ঃ ৫০ ঃ ১ যি ক্রিয়াই আনক পাঁচি অৰ্থাৎ আনৰ হতুৱাই কোনো কাৰ্য কৰা বুজায়, তাকে পাঁচনী ক্রিয়া বোলে।

২ ঃ আনৰ হতুৱাই কাম কৰা বুজাবলৈ ধাতুৰ পিছত আ, ওৱা বা উৱা যোগ কৰি নকৈ ধাতু সৃষ্টি কৰা হয়। এনে ধাতুকেই **পাঁচনী ধাতু** বোলে।

৩ ঃ পাঁচনী ধাতু সদায় সকৰ্মক। মূল ধাতু অকৰ্মক হ'লেও পাঁচনী হ'লে সদায় সকৰ্মক হয়। যেনে, চৰ (গৰু চৰে)। কিন্তু সকৰ্মক চৰা (গৰখীয়াই গৰু চৰায়), পৰ্ (তাই পৰে)। কিন্তু সকৰ্মক পৰা (আমবোৰ পৰাইছে)। ইত্যাদি।

৪ ঃ পাঁচনী অৰ্থত 'আ', 'ওৱা' বা 'উৱা' প্ৰত্যয় ধাতুৰ পিছত যোগ হ'লে ধাতুটোৰ স্বৰধ্বনিৰ ধ্বনিগত পৰিবৰ্তন ঘটে।

ব'লক— Let him go, বলক্ — Let him talk, বোলক— Let it be painted বলক— 'বল' (Strength or Ball) শব্দৰ কৰ্ম-কাৰকত হোৱা ৰূপ। যেনে,

DAILY ASSAM



দি-দিয়া, হাঁহ-হঁহা বা হঁহুৱা, নি-নিয়া, মাৰ্-মৰা, গো-গোৱা, পি-পিয়া, পঢ়া-পঢুৱা, পঢ়া, শো-শুৱা, খা-খুৱা, নাচ-নচুৱা, ধো-ধুৱা, বহ-বহা, বহুৱা, দেখ্-দেখা, দেখুৱা ইত্যাদি।

৫ ঃ প্ৰাচীন মূলৰ অৰ্থাৎ সংস্কৃত পাঁচনী (ণিজন্ত) প্ৰত্যয় আপ অসমীয়াত আ হৈছে, আকৌ পাঁচনীৰ পাঁচনী (Double Casual) অৰ্থত প্ৰাকৃত আৱ (আপ) + আ = অৱা, ওৱা বা উৱা উদ্ভৱ হৈছে। ওৱা বা উৱা যুক্ত পাঁচনী ধাতু অৰ্থৰ ফালেদিও সাধাৰণতে সৰল পাঁচনী (Simple causative) হিচাপেই ব্যৱহাৰ হয়। কেতিয়াবাহে তৃতীয় পক্ষৰদ্বাৰা কোনো কাম কৰোৱা বুজায়, তেতিয়া, পাঁচনীৰ পাঁচন (Double causative) হয়। যেনে,

পৰ্ (to fall) মৌলিক ধাতু, মূলৰ পাঁচনী (ণিজন্ত) পাৰয়তি ক্ৰিয়াৰ পাৰ্ (to pluck) অসমীয়া মৌলিক ধাতুৰূপে ব্যৱহাৰ হয়। যেনে, মই পাৰোঁ (to pluck) সি পাৰিলে (He has plucked) ইত্যাদি। এই পাৰ্ ধাতুত আকৌ পাঁচনী আ প্ৰত্যয় যোগ কৰি পাৰা > পৰা ধাতু পাঁচনী সৃষ্টি কৰা হৈছে; যেনে, মই পৰালোঁ, সি পৰালে ইত্যাদি।

আকৌ পৰা (পাৰা) পাঁচনী ধাতুৰ লগত পাঁচনী প্ৰত্যয় যোগ কৰিলে (পাৰ + অৱ) + আ = পৰোৱা * (to cause to pluck by a third party) পাঁচনীৰ পাঁচনী আকৃতি পোৱা যায়। অসমীয়াত এনে পাঁচনীৰ পাঁচনী ৰূপো সৰল বা সাধাৰণ পাঁচনী ৰূপেই ব্যৱহাৰ হয়।

৬ ঃ পাঁচনী ক্ৰিয়া কৰ্তৃবাচ্যৰ সকৰ্মক আ-কাৰান্ত ধাতুৰ দৰে ক্ৰিয়া ৰূপত হয়। তলত সৰল বা সাধাৰণ পাঁচনী আৰু পাঁচনীৰ পাঁচনী ক্ৰিয়াৰূপ দাঙি ধৰা হয়।

## সৰল বা সাধাৰণ পাঁচনী ক্ৰিয়াৰ ৰূপ

**কৰ্ + আ = কৰা**

| কাল | ১ম পুৰুষ | ২য় পুৰুষ (তুচ্ছাৰ্থে) | ২য় পুৰুষ (সাধাৰণাৰ্থে) | ৩য় পুৰুষ |
|---|---|---|---|---|
| | মই-আমি | তই-তহঁতে | তুমি-তোমালোকে | সি-সিহঁতে |
| ১। বৰ্তমান কাল ঃ | | | | |
| নিত্য বৰ্তমান | | | | |
| (ক) নিৰ্দেশক | কৰাওঁ | কৰাৱ | কৰোৱাঁ | কৰায় |
| (খ) অনুজ্ঞা | — | কৰা | কৰাৱ, কৰোৱাঁ | কৰাওক |
| স্বৰূপ বৰ্তমান | কৰাইছোঁ | কৰাইছ | কৰাইছাঁ | কৰাইছে |

* স্বৰ্গীয় কালিৰাম মেধি

২। অতীত কাল ঃ

| | | | | |
|---|---|---|---|---|
| স্বৰূপ ভূত | কৰালোঁ | কৰালি | কৰালা<br>কৰালা * | কৰালে |
| পৰোক্ষ ভূত | কৰাইছিলোঁ | কৰাইছিলি | কৰাইছিলা | কৰাইছিল |
| সম্ভাব্য ভূত | কৰালোঁ-হেঁতেন | কৰালি-হেঁতেন | কৰালাহেঁতেন<br>কবালাহেঁতেন | কৰালে-হেঁতেন |

৩। ভৱিষ্যৎ কাল ঃ

| | | | | |
|---|---|---|---|---|
| (ক) নির্দেশক | কৰাম | কৰাবি | কৰাবা | কৰাব |
| (খ) অনুজ্ঞা | — | কৰাবি | কৰাবা | কৰাব |

কৃদন্ত ৰূপ

তুমর্থক ৰূপ — কৰাব, কৰাবলৈ
কৃদন্ত সংযোজক বা অসমাপিকা — কৰাই
কৃদন্ত সংজ্ঞা বা বিশেষণ— কৰোৱা
কৃদন্ত ক্রিয়াবিশেষণ— কৰাওঁতে, কৰালে
কৃদন্ত কর্তা— কৰাওঁতা, (স্ত্রী কৰাৱঁতী।)

## ২ ঃ ৫১ পাঁচনীৰ পাঁচনী ক্রিয়াৰ ৰূপ

কৰ + আ [আৱ] = কৰা পাঁচনী ধাতু
(কৰ + আৱ + আ) [ < আৱ ] = কৰাৱ + আ
+ কৰোৱা = পাঁচনীৰ ধাতু

| কাল | ১ম পুৰুষ | ২য় পুৰুষ (তুচ্ছার্থে) | ২য় পুৰুষ (সাধাৰণার্থে) | ৩য় পুৰুষ |
|---|---|---|---|---|
| | মই-আমি | তই-তহঁতে | তুমি-তোমালোকে | সি-সিহঁতে |
| ১। বর্তমান ঃ | | | | |
| নিত্য বর্তমান | | | | |
| (ক) নির্দেশক | কৰোৱাও | কৰোৱাব | কৰোওৱা | কৰোৱায় |
| (খ) অনুজ্ঞা | — | কৰোৱা | কৰোওৱা | কৰোৱাওক |
| স্বৰূপ বর্তমান | কৰোঁৱাইছোঁ | কৰোৱাইছ | কৰোৱাইছা | কৰোৱাইছে |
| ২। অতীত কাল ঃ | | | | |
| স্বৰূপ ভূত | কৰোৱালোঁ | কৰোৱালি | কৰোৱালা | কৰোৱালে |
| পৰোক্ষ ভূত | কৰোৱাইছিলা | কৰোৱাইছিল | কৰোৱাইছিলা | কৰোৱাইছিল |
| সম্ভাব্য ভূত | কৰোৱালো-হেঁতেন | কৰোৱালি-হেঁতেন | কৰোৱালি-হেঁতেন | কৰোৱালোঁ-হেঁতেন |

---

* স্বৰ-সংগতিৰ বাবে কৰোৱা-কৰৱা কৰোৱা উদ্ভৱ হৈছে।

* স্বৰ-সংগতিৰ বাবে।

DAILY ASSAM



৩। **ভৱিষ্যৎ কাল ঃ**

| | | | | | |
|---|---|---|---|---|---|
| (ক) | নিৰ্দেশক | কৰোঁৱাম | কৰোঁৱাবি | কৰোঁৱাবাঁ | কৰোঁৱাব |
| (খ) | অনুজ্ঞা | — | কৰোঁৱাবি | কৰোঁৱাবাঁ | কৰোঁৱাব |

**কৃদন্ত ৰূপ**

তুমৰ্থ ৰূপ— কৰোঁৱাব ; কৰোঁৱাবলৈ

কৃদন্ত সংযোগ অসমাপিকা— কৰোঁৱাই

কৃদন্ত সংজ্ঞা বিশেষণ — কৰোওৱা

কৃদন্ত ক্ৰিয়াবিশেষণ — কৰোঁৱাওঁতে, কৰোঁৱালে

কৃদন্ত কৰ্তা— কৰোঁৱাওঁতেই (স্ত্ৰী, কৰোঁৱাওঁতী)

## লগৰীয়া বা সহায়কাৰী ক্ৰিয়া

২ ঃ ৫২ যি ক্ৰিয়াৰ আন এটি ক্ৰিয়াৰ অৰ্থ প্ৰবল কৰি বুজাবলৈ সহায়ক হিচাপে ব্যৱহাৰ হয় তাকেই লগৰীয়া বা সহায়কাৰী ক্ৰিয়া বোলে। সহায়কাৰী ক্ৰিয়াৰ আন এটি প্ৰধান ধাতুৰো সংজ্ঞা শব্দৰ সহায়ক হিচাপে বহি সকলো পুৰুষ, কাল আৰু বাচ্যত ৰূপ হয়। সেইবাবে প্ৰধান ধাতু আৰু সহায়কাৰী বা লগৰীয়া ধাতুটোক মিশ্ৰ ধাতুও (Compound roots) কোৱা হয়।

২ ঃ ৫৩ মিশ্ৰ ধাতু চাৰি প্ৰকাৰে সিদ্ধ হয়।

(ক) প্ৰধান ধাতুটোত কৃদন্ত সংযোজক বা অসমাপিকা ক্ৰিয়াৰ 'ই' প্ৰত্যয় যোগ কৰি। যথা,

খাই পেল, গিলি থ, মৰি যা, কান্দি উঠ্,
হাঁহি মৰ্, ধৰি ল, কৈ দে, ইত্যাদি।

(খ) আৰম্ভণ, অনুমতি আদি বুজাবলৈ মূল বা প্ৰধান ধাতুত তুমৰ্থক 'ইব' বা 'ইবলৈ' প্ৰত্যয় যোগ কৰি অপ্ৰধান সহায়কাৰী ধাতুৰ ৰূপ কৰা হয়। যথা,

১। আৰম্ভণ— পঢ়িব ধৰ, পঢ়িবলৈ ধৰ্, হাঁহিব ধৰ্, হাঁহিবলৈ ধৰ্, শুনিব লাগ, শুনিবলৈ লাগ, কান্দিব ধৰ্, কান্দিবলৈ ধৰ্। ইত্যাদি।

২। অনুমতি— ক'ব দে, খাব দে, খাবলৈ দে, যাব খোজ, যাবলৈ খোজ ইত্যাদি।

৩। সমৰ্থতা— খাব পাৰ্, ফুৰিব পাৰ, যাব নোৱাৰ। ইত্যাদি

(গ) প্ৰধান ধাতুটোত 'আ' প্ৰত্যয় যোগ কৰি কৃদন্ত সংজ্ঞা বা কৃদন্ত বিশেষণ কৰি সহায়কাৰী ক্ৰিয়াটো যোগ কৰা হয়। যথা,

পঢ্ + আ = পঢ়া, পঢ়া কৰ্

ধৰ্ + আ = ধৰা, ধৰা পৰ্

দেখ্ + আ = দেখা, দেখা কৰ্ ; দেখা হ, দেখা দে।

লিখ্ + আ = লিখা, লিখা কৰ্।

আকৌ কেতিয়াবা দুটা কৃদন্ত শব্দ লগ লাগি সহায়কাৰী ক্ৰিয়া গ্ৰহণ কৰে। যথা,

দেখা-শুনা কৰ্, লিখা-পঢ়া কৰ্, খোৱা-বোৱা কৰ্, ৰন্ধা-বঢ়া কৰ্, ইত্যাদি।

(ঘ) সংজ্ঞা বা বিশেষণ শব্দৰ লগত কোনো ধাতু বহি জতুৱা ঠাচৰ নাম প্ৰধান মিশ্ৰ ধাতু সৃষ্টি কৰা হয়। সহায়কাৰী ক্ৰিয়াতকৈ সংজ্ঞা বা বিশেষণ শব্দটোৰহে অৰ্থ প্ৰধানকৈ বুজায়। যথা,

মন মাৰ্, মন পা, মন কৰ্, মন ভাং, মন দে, মন লাগ্, মন বান্ধ্, মন আছ্, গা উঠ্, গা হ, চেঁচা হ ইত্যাদি।

২ ঃ ৫৪ সকলো ধাতু সহায়কাৰী হিচাপে ব্যৱহাৰ নহয়। কিছুমান বিশেষ ধাতুহে সহায়কাৰী ক্ৰিয়া হিচাপে ব্যৱহাৰ হয়। যথা, লাগ্, ধৰ্, পেলা, উঠ্, দি, থাক্, আছ্, পৰ্, খা, খোজ্ আদিহে প্ৰধান।

২ ঃ ৫৫ মিশ্ৰ ধাতুৰ প্ৰধান ধাতু বা সংজ্ঞা বা বিশেষণ শব্দৰ পিছত বহা সহায়কাৰী ধাতুটোহে বিভিন্ন কাল-পুৰুষত ৰূপ হয়। সাধাৰণ মৌলিক ক্ৰিয়াৰ দৰে এইবোৰৰো ক্ৰিয়াৰূপ হয়। যথা, খাই পেলা, মিশ্ৰ ধাতুৰ পেলা সহায়কাৰী।

| কাল | ১ম পুৰুষ | ২য় পুৰুষ (তুচ্ছাৰ্থে) | ২য় পুৰুষ (সাধাৰণাৰ্থে) | ৩য় পুৰুষ |
|---|---|---|---|---|
| | মই-আমি | তই-তহঁত | তুমি-তোমালোক | সি-সিহঁত |
| **১। বৰ্তমান কাল ঃ** | | | | |
| নিত্য বৰ্তমান— | | | | |
| (ক) নিৰ্দেশক | খাই পেলাওঁ | খাই পেলাৱ | খাই পেলোৱাঁ | খাই পেলায় |
| (খ) অনুজ্ঞা | | খাই পেল্ | খাই পেলোৱাঁ | খাই পেলাওক |
| স্বৰূপ বৰ্তমান ঃ | খাই পেলাইছোঁ | খাই পেলাইছ | খাই পেলাইছাঁ | খাই পেলাইছে |
| **২। অতীত কাল ঃ** | | | | |
| স্বৰূপ ভূত ঃ | খাই পেলালোঁ | খাই পেলালি | খাই পেলালাঁ | খাই পেলালে |
| পৰোক্ষ ভূত ঃ | খাই পেলাইছিলোঁ | খাই পেলাইছিলি | খাই পেলাইছিলাঁ | খাই পেলাইছিল |
| সম্ভাব্য ভূত ঃ | খাই পেলালোঁ-হেঁতেন | খাই পেলালি-হেঁতেন | খাই পেলালাঁ-হেঁতেন | খাই পেলালে-হেঁতেন |
| **৩। ভবিষ্যৎ কাল ঃ** | | | | |
| (ক) নিৰ্দেশক | খাই পেলাম | খাই পেলাবি | খাই পেলাবাঁ | খাই পেলাব |
| (খ) অনুজ্ঞা — | | খাই পেলাবি | খাই পেলাবাঁ | খাই পেলাব |

কৃদন্ত ৰূপ—

তুমৰ্থক ৰূপ— খাই পেলাব, খাই পেলাবলৈ।

অসমাপিকা— খাই পেলাই।

DAILY ASSAM



কৃদন্ত ক্ৰিয়াবিশেষ– খাই পেলাওঁতে, খাই পেলোৱাত।
কৃদন্ত কৰ্তা– খাই পেলালে, খাই পেলাওঁতা।

## অনুশীলনী

১। ক্ৰিয়া পদ কাক বোলে? সমাপিকা আৰু অসমাপিকা ক্ৰিয়া বুলিলে কি বুজা লিখাঁ।

২। সকৰ্মক আৰু অকৰ্মক ক্ৰিয়া বুলিলে কি বুজা লিখাঁ।

৩। ক্ৰিয়াৰ ভাৱ-ৰূপ কি কি? প্ৰত্যেক বিধৰে উদাহৰণ দি বুজাই লিখাঁ।

৪। ক্ৰিয়াৰ কাল বুলিলে কি বুজাঁ? ই কেইবিধ আৰু কি কি? প্ৰধান কাল কেইটিৰ চমু পৰিচয় দিয়াঁ।

৫। অতীত কাল কেইবিধ? প্ৰত্যেকৰে চমু পৰিচয় দিয়াঁ।

৬। অনিয়মিত ক্ৰিয়া বুলিলে কি বুজাঁ? কি কি অনিয়মিত ক্ৰিয়া আছে লিখাঁ।

৭। পাঁচনী ক্ৰিয়া বুলিলে কি বুজাঁ? অসমীয়াত কেনেকৈ ই সাধিত হয় আলোচনা কৰাঁ।

৮। সহায়কাৰী ক্ৰিয়া কি? কেনেকৈ ই ব্যৱহাৰ হয়? আলচ কৰাঁ।